চতুৰ্থ অধ্যায়

৪.০০ শ'ল'গুৰি মৌজাৰ নাৰী-ভাষাৰ ব্যৱহাৰ

শ'ল'গুৰি মৌজাত বসবাস কৰা নাৰীসকলৰ জাতি, ধৰ্ম, বয়স, বৃত্তি, সাক্ষৰতা অনুসৰি ভাষাৰ ব্যৱহাৰত যথেষ্ট পাৰ্থক্য পৰিলক্ষিত হয়। মৌজাখনত বসবাস কৰা আহোম, কোচ, কলিতা, ব্ৰাহ্মণ, কৈৱৰ্ত্ত, গোসাঁই আদি জাতিৰ মহিলাসকলৰ ভাষা ব্যৱহাৰৰ পাৰ্থক্যই প্ৰত্যেক জাতিৰ সুকীয়া ভাষা ৰীতিক নিৰ্দেশ কৰে। আনহাতে, ধৰ্মৰ সৈতে জড়িত ৰীতি-নীতি, বিশ্বাস আদিৰ প্ৰভাৱৰ ফলত ধৰ্ম অনুসৰিও মহিলাসকলৰ ভাষা ব্যৱহাৰত পাৰ্থক্যৰ সৃষ্টি হয়। শ'ল'গুৰি মৌজাৰ হিন্দু ধৰ্মাৱলম্বী আৰু ইছলামধৰ্মী মহিলাসকলৰ ভাষাতো এনে পাৰ্থক্য পৰিলক্ষিত হয়। সময়ৰ সোঁতত, আধুনিকতাৰ প্ৰভাৱত নৱ প্ৰজন্মৰ নাৰীসকলৰ কথিত ভাষাত পুৰণি প্ৰজন্মৰ নাৰীসকলে ব্যৱহাৰ কৰা বহু শব্দ, বাক্য, প্ৰবাদ প্ৰবচনৰ ব্যৱহাৰ দেখা নাযায়। বয়সৰ পাৰ্থক্যই সৃষ্টি কৰা ভাষা ব্যৱহাৰৰ এই পাৰ্থক্য শ'ল'গুৰি মৌজাত স্পষ্ট ৰূপত দেখা যায়। আকৌ, বৃত্তি অনুসৰি সৃষ্টি হোৱা ভাষা ব্যৱহাৰৰ পাৰ্থক্যই মহিলাসকলক বিভিন্ন ভাগত ভাগ কৰে। বৃত্তিৰ সৈতে জড়িত শব্দবোৰৰ ব্যৱহাৰ, বৃত্তিৰ জৰিয়তে সৃষ্টি হোৱা ভাষাৰূপ আদিয়ে ভাষা ব্যৱহাৰত বিভিন্ন বৃত্তিৰ নাৰীসকলৰ মাজত পাৰ্থক্যৰ সৃষ্টি কৰে। নাৰী সকলৰ ভাষাত পাৰ্থক্যৰ সৃষ্টি কৰা সকলো উপাদানৰ ভিতৰত আটাইতকৈ উল্লেখযোগ্য উপাদান হ'ল সাক্ষৰতা। শ'ল'গুৰি মৌজাৰ সাক্ষৰ আৰু নিৰক্ষৰ এই দুই শ্ৰেণীৰ মাজত ভাষা ব্যৱহাৰত অনেক পাৰ্থক্য পৰিলক্ষিত হয়।

৪.০১ ধৰ্ম অনুসৰি নাৰী ভাষাৰ ব্যৱহাৰ ঃ

হিন্দু ধৰ্মৰ মহিলাসকলতকৈ ইছলাম ধৰ্মৰ মহিলাসকলৰ সামাজিক বান্ধোন তুলনামূলকভাৱে বেছি। হিন্দু ধৰ্মাৱলম্বী সমাজখনৰ সৈতে অতীতৰে পৰা ওচৰা-ওচৰিকৈ বাস কৰাৰ ফলত তেওঁলোকৰ এই সামাজিক বান্ধোন বৰ্তমান যথেষ্ট পৰিমাণে শিথিল হৈ পৰিছে। কিন্তু, বৰ্তমানেও তেওঁলোকৰ কোনো মহিলা মছজিদলৈ নাযায়। ঘৰতে নামাজ পঢ়ি আল্লাহৰ আৰাধনা কৰে।

ধৰ্ম অনুসৰি নাৰীসকলৰ ভাষাত কেনেধৰণৰ বৈশিষ্ট্যই ক্ৰিয়া কৰে, সেয়া তলত উল্লেখ কৰা শব্দ সম্ভাৰৰ যোগেদি নিৰ্দেশ কৰিব পাৰি।

৪.০১.১ সম্বন্ধবাচক নাম ঃ

হিন্দু আৰু মুছলমান মহিলাসকলৰ সম্বন্ধবাচক নামবোৰৰ ক্ষেত্ৰত যথেষ্ট পাৰ্থক্য পৰিলক্ষিত হয়—

হিন্দু মহিলা	**ইছলামধৰ্মী মহিলা**
দেউতা, পিতাদেউ	আব্বা, আব্বাজান
মা, বৌটি	আম্মা, আম্মাজান
ককাইদেউ	কাইটি, ভাই, ভাইজান
বাইদেউ	বাইটি
পেহীদেউ, পেহী	পেহীটি
ককাদেউতা, ককা, দ'তি	দাদা (দেউতাকৰ দেউতাক)
	নানা (মাকৰ দেউতাক)
আইতা	দাদী (দেউতাকৰ মাক)
	নানী (মাকৰ মক)
মামা, মোমাইদেউ	মামাটি
মামী, মামীদেউ	মামীটি

৪.০১.২ অন্যান্য কিছুমান শব্দ ঃ

হিন্দু মহিলা	**ইছলামধৰ্মী মহিলা**
ঈশ্বৰ, প্ৰভু, ভগৱান, হৰি	আল্লা, খোদা
মহাশয়	জনাব, জোনাব
পুৰোহিত, দেউ	কাজী

৪.০১.৩ আৱেগ প্ৰকাশক অতিৰিক্ত শব্দ ঃ

হিন্দু মহিলা	**ইছলামধৰ্মী মহিলা**
হে' হৰি, হে' ভগৱান	হে' খোদা, হে' খোদাই, হে' আল্লা

ইচ্ ইচ্, আই ঐ দেহি	ইচ্ আল্লা
হায় ভগৱান	হায় খোদাই, হায় খোদা

৪.০১.৪ স্বাৰ্থিক প্ৰত্যয়ৰ ব্যৱহাৰ ঃ

ইছলাম ধৰ্মাৱলম্বী শ'ল'গুৰি মৌজাৰ নাৰীসকলে চাৰিওফালৰ আন জাতিৰ হিন্দু লোকসকলৰ ভাষাৰ প্ৰভাৱত বিভিন্ন স্বাৰ্থিক প্ৰত্যয়ৰ ব্যৱহাৰ কৰিবলৈ লৈছে। এওঁলোকৰ কথোপকথনৰ ভংগী প্ৰায় হিন্দু মহিলাসকলৰ দৰেই হয়। মুছলমান মহিলাসকলে হিন্দু মহিলাসকলে ব্যৱহাৰ কৰা স্বাৰ্থিক প্ৰত্যয়বোৰকে কম-বেছি পৰিমাণে ব্যৱহাৰ কৰে। তেওঁলোকৰ ভাষাত সুকীয়া কোনো স্বাৰ্থিক প্ৰত্যয় দেখা নাযায়।

১। দেই ঃ বেয়া নাপাব দেই।

২। চোন ঃ আহিবচোন কেতিয়াবা।

৩। নে ঃ তুমি আহিবানে?

৪। নি ঃ তই যাবিনি?

৫। পায় ঃ কিমাননো একেটা কথাকে কৈ থাক' পায়।

৪.০১.৫ বিকল্প নামৰ ব্যৱহাৰ ঃ

মুছলমান মহিলাসকলে স্বামীৰ নামৰ বিপৰীতে হিন্দু ধৰ্মৰ মহিলাসকলৰ দৰেই বিকল্প নামৰ ব্যৱহাৰ কৰে। কিন্তু, দুয়ো ধৰ্মৰ বিকল্প নামৰ ব্যৱহাৰত পাৰ্থক্য পৰিলক্ষিত হয়—

হিন্দু ধৰ্মৰ মহিলা	**ইছলাম ধৰ্মৰ মহিলা**
হেৰি, হেৰা, অ'	হেৰি, হেৰা
নবীনৰ বাপেক	তৌফিকৰ আব্বাজান
নবীনৰ দেউতাক	তৌফিকৰ আব্বা

'স্বামীৰ নাম ল'ব নাপায়' ধৰণৰ নিয়ম হিন্দু ধৰ্মত কাঢ়া হোৱাৰ বিপৰীতে ইছলাম ধমৰ্ৰ মহিলাসকলৰ মাজত এই ধৰণৰ কোনো ধৰা-বন্ধা নিয়ম নাই। কিন্তু, মুছলমান মহিলাসকলে প্ৰায়ে ডাঙৰ সন্তানৰ নামৰ পাছত 'আব্বাক' শব্দ যোগ দি স্বামীক সম্বোধন কৰে।

প্ৰকৃতাৰ্থত, মুছলমান মানুহ মৌজাখনত সংখ্যাত কম হোৱাৰ ফলত মুছলমান মহিলাসকলৰ ভাষাৰ সৈতে হিন্দু মহিলাসকলৰ ভাষাৰ বেছি পাৰ্থক্য পৰিলক্ষিত নহয়। মুছলমান মহিলাসকলৰ ভাষা মৌজাখনৰ আন আন জাতিৰ দৰে সুৰীয়া যদিও ভাষাত উঠা নমা লহৰৰ পৰিমাণ কম। 'ৰ'ৰ

উচ্চাৰণ এইসকল মহিলাৰ মাজতো দেখা নাযায়। কেতিয়াবা আন ঠাইৰ পৰা বিবাহযোগে কোনো মুছলমান মহিলাই নতুন ভাষিক বৈশিষ্ট্য কঢ়িয়াই আনে যদিও সেয়া স্থায়ী নহয়।

উল্লেখযোগ্য যে, খাদ্যবস্তুৰ ৰন্ধন প্ৰক্ৰিয়া বা খোৱা-বোৱাৰ ক্ষেত্ৰত হিন্দু ধৰ্মাৱলম্বী মহিলাসকলৰ লগত মুছলমান মহিলাসকলৰ বিশেষ পাৰ্থক্য দেখা যায়। তেওঁলোকে উৎসৱ অনুষ্ঠানত চেৱৈ, হালোৱা, পোলাও, বিৰিয়ানী, কুৰ্মা, বিবিধ মিঠাই আদি তৈয়াৰ কৰে। আনহাতে, হিন্দু মহিলাসকলে জা-জলপান যেনে—চিৰা, পিঠা, হুৰুম, সান্দহ প্ৰস্তুত কৰে। মুছলমান মহিলাসকলেও জা-জলপান কম-বেছি পৰিমাণে প্ৰস্তুত কৰে যদিও ঈদ বা আন কোনো ধৰ্মীয় অনুষ্ঠানত হালোৱা, চেৱৈ আদিৰ আদৰ বেছি।

৪.০২ জাতি অনুসৰি নাৰী ভাষাৰ ব্যৱহাৰ ঃ

প্ৰত্যেক জাতি স্বকীয় সংস্কৃতি আৰু পৰম্পৰাৰ অধিকাৰী। সেয়েহে প্ৰত্যেক জাতিৰে মাজত কিছুমান স্বকীয় শব্দ, বাক্য, প্ৰবাদ-প্ৰবচন প্ৰচলিত হৈ থাকে। উল্লেখযোগ্য যে, নাৰীয়েহে কোনো এটা জাতিৰ সংস্কৃতি আৰু পৰম্পৰাবোৰৰ অধিকাংশ ৰক্ষা কৰে। গতিকে সেই সংস্কৃতি আৰু পৰম্পৰাৰ সৈতে জড়িত সুকীয়া ভাষা ৰীতিৰ ব্যৱহাৰো নাৰীসকলৰ মাজতহে বেছিকৈ পৰিলক্ষিত হয়।

৪.০২.১ আহোম সম্প্ৰদায়ৰ ভাষা ঃ

মৌজাখনৰ প্ৰায় আটাইকেইখন গাৱঁতে কম বেছি পৰিমাণে আহোম লোকৰ বসতি পোৱা যায়। আহোম মহিলাসকলৰ ভাষা ওচৰ-পাজৰৰ আন আন আৰ্য লোকসকলতকৈ কিছুমান ক্ষেত্ৰত বেলেগ। বিশেষকৈ সম্বন্ধবাচক শব্দ, সাংকেতিক শব্দ, আৱেগ প্ৰকাশক শব্দ, নিষিদ্ধ শব্দ আদিৰ প্ৰয়োগত আহোম মহিলাসকলৰ ভাষিক বিশেষত্ব পৰিলক্ষিত হয়।

৪.০২.১.১ সমন্ধবাচক শব্দ ঃ

মান্য অসমীয়া	**আহোম**
মা	বৌটি
দেউতা	পিতাদেউ, পিতাই
ককা	দ'দ', দ'তি (দেউতাকৰ দেউতাক)
মামা	মোমাইদেউ
মামী	মামীদেউ

খুৰা	দদাইদেউ, দদাই
জেঠাই	আপাদেউ
জেঠু	নিচাদেউ
ককা	পুথাদেউ (মাকৰ দেউতাক)
আইতা	এনাইদেউ (মাকৰ মাক)
দেওৰ	গোঁহাইদেউ
ননদ	আইদেউ
বৰজনা	দেউতা
নবৌ	ব'দ' বা বৌদেউ
মাহী	মাইদেউ ইত্যাদি।

৪.০২.১.২ অনুস্বৰৰ ব্যৱহাৰ ঃ

আহোম সম্প্ৰদায়ৰ বয়সিয়াল মহিলাসকলৰ মুখত 'ং' সংযোগ কৰি গঠন কৰা শব্দৰ প্ৰয়োগ পৰিলক্ষিত হয়। যেনে—

মান্য অসমীয়া	**আহোম**
যাওঁ	যাং
খাওঁ	খাং
নিদিলো	নিদিলোং
নগলো	নগলোং
গলো	গলোং ইত্যাদি।

নৱ প্ৰজন্মৰ মহিলাৰ মুখত সাধাৰণতে এনে শব্দৰ প্ৰয়োগ শুনা নাযায়।

৪.০২.১.৩ বাক্যালংকাৰ জাতীয় শব্দ ঃ

আহোম মহিলাসকলে মৌজাখনৰ ভিতৰত আটাইতকৈ বেছি বাক্যালংকাৰ জাতীয় শব্দ ব্যৱহাৰ কৰে। তেওঁলোকৰ ভাষাৰ এটা নমুনা তলত দাঙি ধৰা হ'ল—

'অ' সেইটো নবীন নহয়নে' অ'? উৱাহু ইমান ডাঙৰটো হ'লি, চিনিকে পোৱা নাছিলোং পাই। মাৰ' গা-পা ভালে আছে? নহাই হলি আও (আৰু) আমা ফালে। ফট্‌কে দেখিলো বুলিহে মাতষা (মাতষাৰ) দিলোং। মই বোলো আক' বোলো ইমান তআনআ (তৰানৰা) চিঙি সেইটো কোন গৈছে।'

আহোম মহিলাসকলে সততে ব্যৱহাৰ কৰা বাক্যালংকাৰ জাতীয় শব্দবোৰ এনেধৰণৰ—

১. অ'— অ' হয়নে তই নাযাৰ বোলে?

২. ছিঃ কটা—ছিঃ কটা! এনে লেতেৰী এইজনী।

৩. উৰা—উৰা! তই সচাঁই কৈছ'নে?

৪. হে'ৰৌ—হে'ৰৌ বাপুৰ মাক ইমানকে মাতিছোঁ শুনাই নাইনে তই?

৫. ইচ্ ৰাম— ইচ্ ৰাম! গাখীৰ সোপাকে মাটিত পৰিলে।

৬. হয় দেউ— হয় দেউ! নগ'লেহে পাৰিছে, ইত্যাদি।

৪.০২.১.৪ নিষিদ্ধ শব্দ ঃ

স্বামীৰ নামৰ ঠাইত আহোম মহিলাসকলে সততে 'হে'ৰি' শব্দৰ ব্যৱহাৰ কৰে। সন্ধিয়া সময়ত 'সাপ' শব্দৰ সলনি 'দীঘল' শব্দৰ প্ৰয়োগ কৰে। সন্ধিয়া সময়ত সুহুৰি মাৰিব নাপায়, সুহুৰিৰ শব্দ শুনিলে 'সাপ' আহে বুলিও মহিলাসকলে বিশ্বাস কৰে। ঠিক তেনেকৈ শহুৰ আৰু বৰজনাৰ নাম মহিলাসকলে উচ্চাৰণ নকৰে। খুউব প্ৰয়োজনতহে উচ্চাৰণ কৰে।

৪.০২.১.৫ সাংকেতিক শব্দ ঃ

মান্য অসমীয়া	**আহোম**
মাহেকীয়া হোৱা	চুৱা হোৱা
শৌচ কৰিবলৈ যোৱা	বাহিৰ ফুৰিবলৈ যোৱা
অন্তঃসত্বা হোৱা	লেঠা হোৱা, লেঠা লগা ইত্যাদি।

আহোম মহিলাসকলে কথাই প্ৰতি ধন্যাত্মক শব্দ আৰু যুৰীয়া শব্দৰ ব্যৱহাৰ কৰে। যেনে—

৪.০২.১.৬ ধ্বন্যাত্মক শব্দ ঃ

লাচনি-পাচনি

লৰক-ফৰক

ফিচ-ফিচীয়া

লচপচীয়া

লহপহীয়া

জেল-জেলীয়া

পিল-পিলীয়া

মচ-মচীয়া

ফট্-ফটীয়া

ঠহৰ-ঠহৰ

হেম-গেম ইত্যাদি।

৪.০২.১.৭ যুৰীয়া শব্দ ঃ

পেট-চেট, হাই-কাজিয়া, সাবটা-সাবটি, ভাত-চাত, পানী-দুনি, গাখীৰ-তাখীৰ, গাই-গৰু, ঘৰ-চৰ আদি। এওঁলোকে প্ৰায় সকলো শব্দকে যুৰীয়া শব্দলৈ পৰিৱৰ্তিত কৰে।

৪.০২.১.৮ অন্যান্য শব্দ ঃ

মান্য অসমীয়া	**আহোম**
তেনেই	নিচেকে, নিচেই
অকনমানি	কণমান, এখুদমান, এধানমান
পাগুলি	পকটিয়াই
ধান ৰুৱা	মাটি ৰুৱা, ভুঁই ৰুৱা
ঈশ্বৰ	তেওঁ, ওপৰৰজন, প্ৰভু
সাবটি ধৰা	গবা মাৰি ধৰা
শেষ কৰা	চিঙি দিয়া
কিমান বাৰ	কে বেলি
ঢিলা	হেলেকা ইত্যাদি।

৪.০২.১.৯ গালি-শপনি ঃ মাৰ' মূৰ খাতী, সঁচ মাৰি খাতী, জুই লাগতী, গজমূৰা/গজমূৰী, পখৰা/পাখৰী, জহনী নিয়তী, হাৰামজাদী, দাংকাটি, লাংপাতি, জহনীত যোৱা, দাংকাচি, মাইকীহতীয়া, মতা কালু, তেজখোৱা/তেজখাতী, মৰতী, পদূলি শুঙা, চদকা খোৱা, সম্পত্তি খোৱা, বনৰা/বনৰী আদি।

৪.০২.২ কৈৱৰ্ত্ত ঃ

শ'ল'গুৰি মৌজাৰ কৈৱৰ্ত্ত গাঁওখনতে কৈৱৰ্ত্ত লোকসকল বাস কৰে। পূৰ্বতে এই লোকসকলৰ একমাত্ৰ জীৱিকাৰ সম্বল আছিল মাছৰ বেপাৰ। কিন্তু, বৰ্তমান তেওঁলোকৰ মাজত আন আন জীৱিকাৰ লোকো পোৱা যায়।

কৈৱৰ্ত্তসকলে 'খ'ৰ উচ্চাৰণ 'স' হিচাপে কৰে। বিশেষকৈ মহিলাসকলে কেতিয়াও 'খ'ৰ উচ্চাৰণ নকৰে। তেওঁলোকৰ নিজৰ মাজত হোৱা কথা-বতৰাৰ নমুনা তলত দাঙি ধৰা হ'ল—'ও আজি ভাত কিহে সালি (খালি)? 'বাপেক সঁৰিয়া (খৰিয়া) মাছ আনিছিলে, তাৰে সালো (খালো) পাই।'

৪.০২.২.১ সম্বন্ধবাচক শব্দ ঃ

মান্য অসমীয়া	**কৈৱৰ্ত্ত**
ককা	দ'/দ'তি/ককা
আইতা	বৌ/বৌটি
খুৰা	দাদা
মামা	মোমাইদ'
মামী	মামীদ' ইত্যাদি।

দ' শব্দাংশ আহোমৰ 'দেউ'ৰ পৰা আহিছে যেন বোধ হয়। আহোমে সন্মান সূচাবলৈ 'দেও'ৰ ব্যৱহাৰ কৰে। আহোম লোকৰ প্ৰভাৱতে কৈৱৰ্ত্তলোকসকলেও সম্বন্ধবাচক শব্দৰ পাছত 'দেও' ব্যৱহাৰ কৰে। মানুহৰ মুখত পৰি 'দেও' চমু হৈ দ' ত পৰিণত হৈছে বুলি অনুমান কৰিব পাৰি।

৪.০২.২.২ অন্যান্য শব্দ ঃ

মান্য অসমীয়া	**কৈৱৰ্ত্ত**
হেতা	কৰচলি
এচাৰি	লৰু
ল'ৰা	লোৱা
জুইশাল	জুখাল
হেতা	গোবিন্দ/কৰচলি
জোকাৰি দে	ঘটালি দে
ভেকাহি মৰা	দাং খাই উঠা
অনুগ্ৰহত	যহত
ইমানকেইটা	ইমানগিতি
নিজান	নিতাল
বদমাছি	অগতি

হঠাতে খাপ্‌ককে ইত্যাদি।

৪.০২.২.৩ বাক্যালংকাৰ জাতীয় শব্দ ঃ

কৈৱৰ্ত্ত মহিলাসকলে 'ও', 'ওৰা', 'ওৱ' আদি বাক্যালংকাৰ বেছিকৈ ব্যৱহাৰ কৰে। ইয়াৰ উপৰিও 'হয় পায়', 'হেৰি নহয়' আদি অলংকাৰৰো কম বেছি পৰিমাণে ব্যৱহাৰ কৰে।

ও— ও লোৰা মাতিলে একেবাৰতে মাত দিবি পাই।

ওৰা— ওৰা! তইনো ক'ৰ পৰা আহিলি হয়?

ওৱ—ওৱ চা! ইমান বেয়াকে ক'ব নাপায় দেই।

হয় পায়— হয় পায়! ইমান চিকতা মানুহ।

হেৰি নহয়— হেৰি নহয়, আপোনাৰ ভতিজাকে বোলে ছোৱালী আনিলে।

৪.০২.২.৪ গালি-শপনিসূচক শব্দ / বাক্য ঃ

কৈৱৰ্ত্ত মহিলাসকলৰ মাজত গালি-শপনিৰ ব্যৱহাৰ বেছি আছিল। এনে বহুতো গালি বৰ্তমান প্ৰজন্মই ব্যৱহাৰ নকৰে যদিও এইবোৰৰ ব্যৱহাৰ নোহোৱা হৈ যোৱা নাই। যেনে—

ঢকুৰা সূতা নিছিগালে কোবাম

বুটি বাঢ়নীৰে কোবাম

চেফেৰাৰ জাত

ৰাতজহনীত যোৱা

হতচী হোৱা

হেপাই মূৰ চোবোৱা

পৈয়েৰৰ মূৰ চোবোৱা

যোৱা বাৰীৰ সঁচ

বাগৰি

বনৰা/বনৰী

মেখেলা ভাৰী

মেখেলা তলীয়া

কণা নৰকী

দাংকাটি

পখৰা/পাখৰী

বাৰে বনৰী

কেতি

ৰেণ্ডা/ ৰেণ্ডি ইত্যাদি।

৪.০২.২.৫ যুৰীয়া শব্দ ঃ

যুৰীয়া শব্দৰ ব্যৱহাৰ কৈৱৰ্ত্ত মহিলাসকলৰ এক অন্যতম ভাষিক বৈশিষ্ট্য। তেওঁলোকে প্ৰায় প্ৰত্যেকটো শব্দকে যুৰীয়া শব্দলৈ পৰিৱৰ্তন কৰে। যেনে—মুখ-চুখ, কাণ-চান, মাছ-তাছ, ভাত-চাহ, পানী-দুনি আদি। এনেদৰে শব্দৰ সৈতে সংযুক্ত কৰা প্ৰায়ভাগ শব্দই অৰ্থহীন হয়।

৪.০২.২.৬ ধন্যাত্মক শব্দ ঃ

ভেলেক-ভেলেক (হাঁহিছে)

তিকলৌ-তিকলৌ (লৰ মাৰিলে)

তিলিক-তামাক (ছোৱালীজনী)

লাংকা-পাংকা (যি-টি)

ফাং-ফুং (অনৰ্থক) ইত্যাদি।

৪.০২.৩ কোঁচ, কলিতা আৰু ব্ৰাহ্মণ ঃ

কোঁচ, কলিতা আৰু ব্ৰাহ্মণ জাতিৰ মহিলাসকলৰ ভাষাত বিশেষ কোনো ধৰণৰ পাৰ্থক্য অনুভূত নহয়। মৌজাখনত তিনিওটা সম্প্ৰদায়ে অতীজৰে পৰা ওচৰা-ওচৰিকৈ বসবাস কৰাৰ ফলতে হয়তো ভাষাৰ মাজৰ পাৰ্থক্যবোৰ লোপ পালে। দেৰলীয়া গায়ন, বৰপাত্ৰ, লোণপুৰীয়া আৰু শ'ল'গুৰি এই কেওখন গাৱঁতে কোঁচ, কলিতা আৰু ব্ৰাহ্মণ মানুহৰ বসতি পোৱা যায়। ব্ৰাহ্মণ জাতিৰ লোক তুলনামূলকভাৱে কম হোৱাৰ বাবে তেওঁলোক আন জাতিৰ সৈতে মিলি পৰিছে।

তিনিওটা জাতিৰে সম্বন্ধবাচক শব্দবোৰ মান্য অসমীয়াৰ সৈতে একে। আন আন জাতিৰ দৰে এওঁলোকৰ ভাষাতো 'ৰ'ৰ উচ্চাৰণ লুপ্ত। এওঁলোকে আন জাতিৰ তুলনাত খুব কম স্বাৰ্থিক প্ৰত্যয়ৰ ব্যৱহাৰ কৰে। এই জাতিকেইটাৰ মহিলাসকলে কথাই কথাই বধ শপতৰ ব্যৱহাৰ কৰে। উদাহৰণস্বৰূপে—বৰপুখুৰী শপত, গোসাঁইৰ শপত, বিদ্যা শপত, শালেগ্ৰামৰ শপত, চাৰি সত্ৰৰ গোসাঁইৰ শপত আদি।

৪.০২.৩.১ গালি-শপনি ঃ

কোঁচ, কলিতা বিশেষকৈ ব্ৰাহ্মণ জাতিৰ লোকসকলৰ মহিলাসকলৰ মুখত গালি-শপনিৰ

ব্যৱহাৰ কম। তেওঁলোকে গালি-শপনি কেতিয়াবা ক'ৰবাত ব্যৱহাৰ কৰিলেও পুৰুষে নুশুনাকৈহে ব্যৱহাৰ কৰে। তেনেকেইটামান গালি নমুনা আকাৰে আগবঢ়োৱা হ'ল—জহনীত যোৱা, কুলক্ষণী, শাখিনী, গজমুৰা, গজমুৰী, অধচ, বিনচৰীয়া, জধামূৰ্খ, অলগদ্ধ, হতচিৰি হোৱা, অওমকীয়াৰ সঁচ আদি।

৪.০২.৩.২ স্বাৰ্থিক প্ৰত্যয় ঃ

স্বাৰ্থিক প্ৰত্যয় কোঁচ-কলিতা-ব্ৰাহ্মণ মহিলাসকলে দুই এটা ব্যৱহাৰ কৰে যদিও সেয়া ওচৰে-পাজৰে থকা আন জাতিৰ প্ৰভাৱ বুলি ক'ব পাৰি। অতীজৰে পৰা তেওঁলোকৰ ভাষাত স্বাৰ্থিক প্ৰত্যয়ৰ অধিক ব্যৱহাৰ দেখা নাযায়। তথাপি তেওঁলোকৰ মাজত পৰিলক্ষিত হোৱা দুটামান স্বাৰ্থিক প্ৰত্যয় এনেধৰণৰ—

চোন—আহিবচোন, খাবচোন

দেই—আহিবদেই, খাবদেই

হবলা—আহিল হবলা, খালে হবলা ইত্যাদি।

কোঁচ, কলিতা আৰু ব্ৰাহ্মণ মহিলাসকলৰ ভাষা মান্য অসমীয়াৰ ওচৰ চপা যদিও চাৰিওফালৰ আন আন জাতিৰ ভাষিক বৈশিষ্ট্যৰ প্ৰভাৱ তেওঁলোকৰ ভাষাত অনুভূত হয়।

৪.০২.৪ গোসাঁই মহন্ত ঃ

শ'ল'গুৰি মৌজাত কেইবাখনো সত্ৰ আছে। শ'ল'গুৰি সত্ৰ, বনগঞা সত্ৰ, কঁঠালবৰীয়া সত্ৰ, উজনিয়াল সত্ৰ, বেলিমুখীয়া সত্ৰ, কাংসপাৰ সত্ৰ আৰু পুণিয়া সত্ৰ। এই আটাইকেইখন সত্ৰৰ সৈতে জড়িত গোঁসাই-মহন্ত মহিলাসকলৰ ভাষা অতি শুৱলা, মিতভাষী আৰু বিনয়ী। চাৰিওফালে আন জাতি-জনজাতিৰ লোকে ঘেৰি থকাৰ পাছতো তেওঁলোকৰ ভাষিক নিজস্বতা হেৰাই যোৱা নাই। তেওঁলোকৰ ভাষাত ভকতীয়া ঠাঁচ অনুভূত হয়।

৪.০২.৪.১ সমন্ধবাচক শব্দ ঃ

এওঁলোকৰ সম্বন্ধবাচক শব্দবোৰ প্ৰায় মান্য অসমীয়াৰ দৰে একে। অৱশ্যে সম্বোধন বাচক শব্দবোৰত তেওঁলোকৰ ভাষিক বৈশিষ্ট্য প্ৰকাশ পায়—

আইগৰাকী—মহিলাই সমবয়সৰ বা নিজতকৈ ডাঙৰ আন গৰাকী মহিলাক কৰা সম্বোধন

বাপজন—মহিলাই ভকতক কৰা সম্বোধন

আই—মহিলাই নিজতকৈ বয়সত সৰু আন এগৰাকী মহিলাক কৰা সম্বোধন

প্ৰভু ঈশ্বৰ—সত্ৰৰ সত্ৰধিকাৰ বা বিশেষ সন্মানীয় ভকতক কৰা সম্বোধন ইত্যাদি।

৪.০২.৪.২ তৃতীয় পুৰুষৰ ব্যৱহাৰ ঃ

উল্লেখনীয় যে, গোসাঁই মহিলাসকলে প্ৰায়ে তৃতীয় পুৰুষত কথা ক'বলৈ ভাল পায়। তেওঁলোকে 'মই'ৰ ঠাইত 'আমি' ব্যৱহাৰ কৰে। বাক্যবোৰ প্ৰত্যক্ষভাৱে নকৈ পৰোক্ষভাৱে হে কয়। যেনে—'সিদ্ধমুঠিৰ আয়োজন কৰা হৈছে। আলহী আহিব লাগে আৰু।'

বা, 'আলহী ক'ৰ পৰা বা অহা হৈছে'।

মান্য	**গোসাঁই মহিলা**
আলহীক আপ্যায়ন কৰা	আলহী সুধা ইত্যাদি।

সত্ৰৰ ধাৰ্মিক পৰিৱেশৰ মাজত ডাঙৰ দীঘল হোৱাৰ বাবে পুৰণি চাম মহিলাৰ মাজত ঈশ্বৰ ভক্তিৰ প্ৰগাঢ়তা পৰিলক্ষিত হয়। তেওঁলোকে কেতিয়াও গালি-শপনিসূচক শব্দৰ ব্যৱহাৰ নকৰে। বাধ্যত পৰিলেও ঈশ্বৰৰ নাম লৈহে খং সামৰে। এইসকল মহিলাই স্বামীৰ নাম নলয়। আনকি সত্ৰাধিকাৰ, বৰজনাক, শহুৰৰ নামো সমজুৱাভাৱে নলয়।

৪.০২.৪.৩ সাংকেতিক শব্দ ঃ

এওঁলোকৰ মাজত প্ৰচলিত সাংকেতিক শব্দবোৰ এনেধৰণৰ—

মান্য	[illegible]
মাহেকীয়া	অসুবিধা
শৌচ কৰা	বাহিৰ ফুৰা
অন্তঃসত্বা	গাত লেঠা
গা ধো	গা তিয়া ইত্যাদি।

৪.০২.৪.৪ অন্যান্য শব্দ ঃ

মান্য	**গোসাঁই মহিলা**
ভাত	চাউলমুঠি/অন্ন
নামঘৰটো	নামঘৰভাগ
ঘৰ	গৃহ
সিজোৱা	সিদ্ধ
যাব লাগে	আগবাঢ়িব লাগে

ঈশ্বৰ	ভগৱন্ত/গুৰুজনা
সুখ	সন্তোষ
নমস্কাৰ	কৃষ্ণ ইত্যাদি।

গোসাঁই মহিলাসকলে 'ৰ'ৰ উচ্চাৰণ মৌজাটোৰ আন আন জাতিতকৈ তুলনামূলকভাৱে ভালদৰে কৰে। ভাষাও প্ৰায় মান্য অসমীয়াৰ দৰেই হয়। শংকৰী সংস্কৃতিৰ মাজত লালিত-পালিত হোৱাৰ বাবে তেওঁলোকৰ ভাষা ভকতীয়া ঠাঁচত গঢ় লয়। তেওঁলোকে স্বাৰ্থিক প্ৰত্যয়ৰ ভিতৰত— দেই, চোন আদি বেছিকৈ ব্যৱহাৰ কৰে আৰু লগতে মনৰ বিভিন্ন আৱেগ যেনে—সুখ, দুখ, আশ্চৰ্য, শংকা প্ৰকাশ কৰিবলৈ 'কৃষ্ণ, কষ্ণ', 'হে হেৰি', 'হে প্ৰভু' আদিৰ সহায় লয়।

তেওঁলোকে বিভিন্ন নীতি-নিয়মৰ মাজত নিজকে সংযত কৰি ৰাখিবলৈ ভাল পায় যদিও অন্ধবিশ্বাসী নহয়। ভগৱান তথা পৰিয়াল-পৰিজনৰ সেৱা-শুশ্ৰূষাৰ প্ৰতি তেওঁলোক সততে দায়িত্বশীল হয়।

গোসাঁই মহিলাসকলে ভাষাৰ শ্ৰুতিমাধুৰ্যৰ প্ৰতি বিশেষভাৱে গুৰুত্ব দিয়ে। উদাহৰণস্বৰূপে—

মান্য অসমীয়া	**গোসাঁই মহিলা**
মহাশয় ক'ৰ পৰা আহিলে?	বাপজনা কোনফালৰ পৰা বা অহা হ'ল।
ভাত ৰন্ধাৰ সময় হ'ল।	অন্নমুঠিৰ আয়োজনৰ সময় হ'ল।
আবেলি হ'ল।	বেলি লহিয়ালে/ বেলি পৰিলে ইত্যাদি।

আহোম, কোঁচ, কলিতা, ব্ৰাহ্মণ, কৈৱৰ্ত্ত, গোসাঁই আদিৰ জাতিৰ মহিলাসকলে যুগ যুগ ধৰি একেলগে বসবাস কৰি থকাৰ ফলত তেওঁলোকৰ মাজত কিছুমান ভাষিক সাদৃশ্য গঢ় লৈ উঠিছে যদিও অতীজতে নাৰীসকলৰ মাজত বিভিন্ন ধৰণৰ ভাষিক বৈসাদৃশ্য থকাটো অনুমান কৰিব পাৰি। উচ্চ-নীচৰ ধাৰণা দৃঢ় হৈ থকাৰ দিনত কোনো গোসাঁই-ব্ৰাহ্মণ মহিলাই কৈৱৰ্ত্ত মহিলাৰ সংস্পৰ্শ লাভ কৰা নাছিল। যাৰ ফলত তেওঁলোকৰ ভাষিক আদান-প্ৰদান হোৱা নাছিল। কিন্তু সময়ৰ সোঁতত এই ব্যৱধান কমিল। বৰ্তমান সময়ত সকলো জাতিৰে মাজত কিছুমান উমৈহতীয়া ভাষিক বৈশিষ্ট্য দেখিবলৈ পোৱা যায়।

৪.০২.৫ জাতিসমূহৰ উমৈহতীয়া ভাষিক বৈশিষ্ট্য ঃ

৪.০২.৫.১ সুৰ ঃ

শ'ল'গুৰি মৌজাৰ সকলো জাতিৰ মহিলাই উঠা-নমা, লেহেমীয়া সুৰ এটাত কথা কয়।

স্বাৰ্থিক প্ৰত্যয়ৰ ব্যৱহাৰে এই সুৰ ধৰি ৰখাত অধিক সহায় কৰিছে। সুৰীয়া হোৱাৰ বাবে ভাষাটো শুৱলাও হয়। উল্লেখযোগ্য যে, এই সুৰ মৌজাখনৰ মহিলাসকলৰ একচেতীয়া সম্পত্তি। পুৰুষৰ ভাষাত এই সুৰ দেখা নাযায়।

৪.০২.৫.২ 'ৰ' ধ্বনিৰ উচ্চাৰণ লুপ্ত ঃ

মৌজাখনৰ মহিলাসকলে কথা কওঁতে 'ৰ'ৰ উচ্চাৰণ নকৰে। সকলো মহিলাই শব্দৰ মধ্যত বা শেষত থকা 'ৰ'ৰ উচ্চাৰণ নকৰে। কিন্তু শব্দৰ আদিতে থকা 'ৰ'ৰ ভালকৈ উচ্চাৰণ কৰে। শব্দৰ মধ্যত বা শেষত থকা 'ৰ' 'অ', 'য়'লৈ পৰিবৰ্তন কৰি উচ্চাৰণ কৰে। লগতে 'ৱ'ৰ উচ্চাৰণো 'ব' হিচাপে কৰে। উদাহৰণ—

মান্য অসমীয়া	**শ'ল'গুৰি মৌজাৰ কথিত অসমীয়া**
শিৱসাগৰ	শিৱসাগ'
যোৰহাট	যোহাট
মৰিল	ময়িল
পৰিল	পয়িল
মৰম	মঅম
গৰাকী	গআকী
গৰু	গও
ঘৰ	ঘ
সৰু	সও
চৰাই	চআই
তৰা	তআ
ৰজা	ৰজা
ৰচকী	ৰচকী
ৰঙা	ৰঙা ইত্যাদি।

৪.০২.৫.৩ যুক্তাক্ষৰ সৰলীকৰণ ঃ

মহিলাসকলে কথা কওঁতে যুক্তাক্ষৰ সৰলীকৰণ কৰি ক'বলৈ সততে ভাল পায়। সৰলীকৰণ প্ৰক্ৰিয়াৰ ফলত ভাষাটো কওঁতে সহজ হৈ পৰে। যেনে—

মান্য	**শ'ল'গুৰি মৌজাৰ কথিত অসমীয়া**

স্কুল	ইচ্‌কুল
বিস্কুট	বিচকুট
ষ্টাইল	ইচ্‌টাইল
প্ৰভু	পৰভু ইত্যাদি।

৪.০২.৫.৪ প্ৰবাদ-প্ৰবচনৰ ব্যৱহাৰ ঃ

মৌজাখনৰ মহিলাসকলে কথাই কথাই বিবিধ প্ৰবাদ-প্ৰবচনৰ ব্যৱহাৰ কৰে। গাৱঁলীয়া অশিক্ষিত মহিলাসকলৰ মাজত এই প্ৰবৃত্তিৰ হাৰ বেছিকৈ পৰিলক্ষিত হয়। তেওঁলোকে কথাৰ লগত ৰজিতা খোৱাই বিভিন্ন ধৰণৰ প্ৰবাদ প্ৰবচন আৰু জঁতুৰা ঠাঁচৰ ব্যৱহাৰ কৰে। যেনে—

১. বাজিব লাগিছিল টেমি কটাৰী, বাজিছে পখৰুতং।

২. লগুণৰ গুৰি লেকাই চেতিয়া।

৩. ছোৱালী বুলিলেই বেৰৰ মাটি, গোৰ মাৰি দিলো খহি পৰিল, আজৰি হ'ল।

৪. বাপ্‌ বুলিলেই ঢোৰা সাপ।

৫. পেটত এটা, মুখত এটা।

৬. আগফালে মাৰো দাং, পিছফালে ধোবাং বাং

৭. আগফালে বৰ চুৰীয়াৰ ফেৰ, পিছফালে ঢকুৰাৰ বেৰ

৮. আপোনাৰ নাক কাটি, সতিনীৰ যাত্ৰা ভংগ।

৯. বাউসীত বল হ'লে খাবা, নহ'লে চাবা।

১০. সাতোঁৰ সাতোঁৰ নিজ বাহুবলে, সাতুঁৰিব নোৱাৰিলে যা ৰসাতলে।

৪.০২.৫.৫ নাৰী সমাজৰ বিশ্বাস ঃ

মৌজাখনৰ নাৰীসকলৰ মাজত কিছুমান উমৈহতীয়া বিশ্বাস দেখা যায়। যেনে—কাউৰীয়ে ৰমলিয়ালে বা হাতৰ পৰা মজিয়াত বাতি পৰিলে আলহী আহে। আকৌ, অসাৱধানবশতঃ বস্তু বাহানি মাটিত পৰিলে বা পৰি ভাঙিলে অৰ্থহীন আশ্চৰ্যবোধক উক্তি কৰে—হাতীটো, বামুণটো, লাখুটি আদি। মহিলাসকলে কোনো বিশেষ কাৰণবশতঃ মাহেকীয়া দুদিনমান দেৰিকৈ হ'বলৈ বাঞ্চা কৰিলে এজোপা কলগছত আনে নেদেখাকৈ এটা বেজি খুচি থৈ আহে। আকৌ পাছত গৈ সেই বেজিটো আঁতৰাই আনিলেহে মাহেকীয়া আৰম্ভ হয় বুলি বিশ্বাস কৰে।

চকুত আজিনা উঠিলে দুৱাৰডলিত বহি এটা বাটিৰে চকুটো ঢাকি মহিলাসকলে এনেধৰণে

কয়—'হ'লে ইমানটো হ' নহ'লে ভাঙি-চিঙি যা।' এনেদৰে তিনিবাৰ ক'লে আজিনা বা আচিনা ঠাইতে নোহোৱা হয় বুলি শ'ল'গুৰি মৌজাৰ বেছিভাগ মহিলাই বিশ্বাস কৰে।

নতুন বস্তু ল'লে বা অতি ধুনীয়া বস্তু বুজালে বস্তুটোৰ গাতে মুখ নালাগিবলৈ ধুই পেলোৱাৰ নিয়ম। ইয়াৰ যোগেদি বস্তুটো অস্পশ্য কৰি তাৰ প্ৰতি আনৰ হেঁপাহ নোহোৱা কৰিবলৈ এনেদৰে কয়—'থুই-তাই মুখ-চুখ নালাগিবি, লাগিলে বুঢী বাঢ়নীৰে খুচিম।' আনকি নতুন জাকৈ লৈ প্ৰথম মাছমৰাৰ যাত্ৰা কৰোঁতে জাকৈখনক দুডালমান বাঢ়নীৰে কোবাই খুচি মুখ লগা ভঙা হয়। ঘৰচীয়া জীৱ-জন্তু বিক্ৰী কৰাৰ সময়ত দুডালমান নোম বা চৰাই হ'লে পাখি চিঙি ভঁৰালৰ বেৰত খুঁচি থৈ দিয়ে। এনে নকৰিলে জীৱ-জন্তুৰ ভাল সঁচ কিনোতাৰ লগতে গুচি যায় বুলি নাৰীসকলে বিশ্বাস কৰে। আকৌ, গছত লগা প্ৰথমটো ফল সকলোৰে ভগাই খালে গছজোপাত বেছিকৈ ফল ধৰে বুলিও নাৰী সমাজৰ মাজত বিশ্বাস প্ৰচলিত হৈ আছে।

হিন্দু ধৰ্মাৱলম্বীসকলৰ তোলনী বিয়াত 'মূৰত চাউল দিয়া' প্ৰথামতে কইনাৰ মূৰৰ ওপৰত এখন চাদৰ ধৰি তাৰ ওপৰত হাতেৰে মুঠি মুঠিকে চাউল ঢালে ; সেই চাউল পিছলি আহি কইনাৰ কোলাত পৰে। ইয়াৰ জৰিয়তে ভৱিষ্যতৰ বাবে কইনাই কোলাত পৰা চাউলমুঠি অৰ্থাৎ লক্ষ্মী অৰ্জন কৰিলে বুলি নাৰীসকলে বিশ্বাস কৰে। আকৌ, বেইৰ তলত কণী পুতি থ'লে কইনাজনী ভৱিষ্যতে জননী শক্তিৰ অধিকাৰী হয় বুলিও বিশ্বাস কৰে। তোলনী বিয়াত এটা কলপুলিৰে সৈতে কইনাজনীৰ বিয়া পাতি দিয়া হয়। সেই কলপুলিটো পাছত বাৰীত ৰুই দিয়া হয়। যেতিয়াই কলজোপাত ফল ধৰে তেতিয়াই ছোৱালীজনী সম্পূৰ্ণ ৰূপে সন্তান জন্ম দিয়া ক্ষমতাৰ অধিকাৰী হয় বুলি মৌজাখনৰ মহিলাসকলে বিশ্বাস কৰে।

৪.০৩ বয়স অনুসৰি নাৰী ভাষাৰ ব্যৱহাৰ ঃ

বয়স অনুসৰি নাৰী ভাষাৰ ব্যৱহাৰত বিস্তৰ পাৰ্থক্য পৰিলক্ষিত হয়। অধ্যয়নৰ সুবিধাৰ বাবে বয়স অনুসৰি নাৰীসকলক এনেদৰে ভাগ কৰি লোৱা হৈছে—

১. ২০—৪০ বছৰ

২. ৪০—৬০ বছৰ

৩. ৬০ ৰ উৰ্দ্ধৰ মহিলাসকল

৪.০৩.১ ২০ ৰ পৰা ৪০ বছৰ বয়সৰ নাৰী ঃ

নৱ প্ৰজন্মৰ এই নাৰীসকলৰ ভাষাৰ লগত পুৰুষৰ ভাষাৰ বৰ বিশেষ পাৰ্থক্য নাই। নাৰী ভাষাৰ বিচিত্ৰ শব্দ ভাণ্ডাৰ এই চাম নাৰীৰ মাজত যথেষ্ট পৰিমাণে হ্ৰাস পাইছে। তেওঁলোকে কথাৰ মাজত বহুতো ইংৰাজী শব্দৰ ব্যৱহাৰ কৰে। মৌজাখনৰ নাৰী ভাষাৰ কিছু কিছু বৈশিষ্ট্য অৱশ্যে তেওঁলোকৰ ভাষাত ৰক্ষিত হৈছে। তলত এই বিষয়ে বহলাই আলোচনা কৰা হ'ল—

৪.০৩.১.১ সম্বন্ধবাচক শব্দ ঃ

আহোম,কৈৱৰ্ত্তআদি জাতিৰ সম্বন্ধবাচক শব্দবোৰত ৰক্ষিত হোৱা সুকীয়া সম্বোধনবোৰ নৱপ্ৰজন্মৰ মাজত কমকৈ পৰিলক্ষিত হয়। 'দেউ'ৰ দৰে সন্মানীয় শব্দাংশ আজিৰ প্ৰজন্মই নকৰে। যাৰ ফলত 'মোমাইদেউ' হৈছেগৈ 'মামা', 'মামীদেউ' হৈছেগৈ 'মামী', 'খুৰীদেউ' হৈছেগৈ 'খুৰী', 'আপাদেউ' 'নিচাদেউ' হৈছেগৈ আপা, নিচা; বাইদেউ হৈছেগৈ বা; আপা, নিচা; 'এনাইদেও', 'পুথাদেউ' হৈছেগৈ এনাই, পুথা ইত্যাদি। ঠিক তেনেকৈ এই প্ৰজন্মৰ কোনো মহিলাই স্বামীৰ ককায়েকক 'দেউতা' সম্বোধন নকৰে। দেউতাৰ সলনি 'দাদা' ব্যৱহাৰ কৰে। 'ননদ'ক 'আইদেউ' আৰু 'দেওৰ'ক 'গোহাঁইদেউ' সম্বোধন কৰাৰ সলনি নাম ধৰি মাতে। কেৱল আহোম বা কৈৱৰ্ত্তই নহয় সকলো জাতিৰ ক্ষেত্ৰতে সম্বন্ধবাচক শব্দৰ ক্ষেত্ৰত পৰিবৰ্তন পৰিলক্ষিত হয়। মৌজাখনৰ সকলো জাতিৰ মহিলাই সম্বন্ধবাচক শব্দৰ পিছত 'দেও'ৰ ব্যৱহাৰ কৰিছিল। কিন্তু এই বৈশিষ্ট্য বৰ্তমান লুপ্ত। দ'দ', দ'তি আদিৰ সলনি ককা আৰু দদাই, দদাইদেউ, দদাৰ সলনি 'খুৰা' বৰ্তমান প্ৰজন্মই ব্যাপকভাৱে ব্যৱহাৰ কৰে।

গোসাঁই মহিলাসকলৰ নৱ প্ৰজন্মৰ কোনেও আইগৰাকী, বাপজন বা আই সম্বোধন নকৰে। কোনো ধাৰ্মিক কাৰ্যত অংশগ্ৰহণ কৰিলে ইয়াৰ ব্যতিক্ৰম দেখা যায় যদিও সেয়া অতিকৈ সীমিত।

৪.০৩.১.২ ৰংবাচক শব্দ ঃ

২০ ৰ পৰা ৪০ বছৰ বয়সৰ মহিলাসকলেও ৰঙৰ পাৰ্থক্য স্পষ্টকৈ ধৰিব পাৰে। কিন্তু তেওঁলোকে ৰংবোৰ বুজাবলৈ অতীজতে নাৰীসকলে ব্যৱহাৰ কৰা কিছুমান শব্দ ব্যৱহাৰ নকৰে। যেনে— তেওঁলোকে সেউজীয়া-ডাঠ সেউজীয়া আৰু পাতল সেউজীয়া, কুঁহিপতীয়া, কলপতীয়া, ভাটৌৰঙী, তেজ ৰঙা আদি শব্দবোৰ ব্যৱহাৰ নকৰে। টিক্‌টিকীয়া ৰঙা, ধক্‌ধকীয়া বগা আদি শব্দবোৰো এইচাম মহিলাই ব্যৱহাৰ নকৰে। ইয়াৰ বিপৰীতে প্ৰায় ইংৰাজী ৰং বুজোৱা শব্দবোৰহে কথাই কথাই বেছিকৈ ব্যৱহাৰ কৰে। উদাহৰণস্বৰূপে—

Pink- Sharp Pink, Baby Pink, Hot Pink

White- off White, White

Blue- Sky Blue, Sea Blue, Royal Blue etc.

৪.০৩.১.৩ স্বাৰ্থিক প্ৰত্যয় ঃ

মৌজাখনৰ মহিলাসকলে ব্যৱহাৰ কৰা বিবিধ বাক্যালংকাৰৰ ভিতৰত মাত্ৰ কেইটামানহে এই বয়সৰ নাৰীসকলৰ মাজত পৰিলক্ষিত হয়। উদাহৰণ—

চোন—আহিবচোন, বহকচোন

না—আহিবনা, বহকনা (এই প্ৰজন্মৰ নাৰীসকলৰ মাজত আটাইতকৈ বেছিকৈ ব্যৱহাৰ হোৱা বাক্যালংকাৰ)

নি—আহিবনি, বহিবনি

ন—আহিবন, যাবন ইত্যাদি।

৪.০৩.১.৪ বিশেষণীয় বিশেষণ ঃ

বিশেষণীয় বিশেষণ এই চাম মহিলাৰ মাজত প্ৰায় ব্যৱহাৰ নহয় বুলিবই পাৰি। বিশেষণবোৰ—ভাল, বেয়া, ঠাণ্ডা, গৰম, ক'লা, বগা আদি হিচাপেই এইচাম মহিলাই ব্যৱহাৰ কৰে। কেতিয়াবা ক'ৰবাত কথাৰ মাজত বিশেষণীয় বিশেষণ ব্যৱহাৰ হয় যদিও সেয়া নগণ্য। এনে কিছুমান বিশেষণীয় বিশেষণ এনেধৰণৰ—

বহুত ঃ বহুত ভাল, বহুত বেয়া, বহুত গৰম, বহুত ঠাণ্ডা, বহুত দীঘল, বহুত চুটি।

ইমান ঃ ইমান ৰঙা, ইমান বগা, ইমান গৰম, ইমান ভাল, ইমান বেয়া আদি

খুউব ঃ খুউব ভাল বা খুউব বেয়া, খুউব দীঘল, খুউব দ', খুউব পাতল, খুউব ডাঠ আদি।

বৰ ঃ বৰ গৰম, বৰ ঠাণ্ডা, বৰ বেয়া, বৰ ভাল ইত্যাদি।

৪.০৩.১.৫ আৱেগ প্ৰকাশিত অতিৰিক্ত শব্দ ঃ

মহিলাসকলে আৱেগ প্ৰকাশ কৰিবলৈ কিছুমান সাধাৰণ অতিৰিক্ত শব্দৰ ব্যৱহাৰ কৰে। যেনে— ইস্, ধেৎ তেৰি, ইচ্, যাঃ আদি।

ইস্—ইস্হু তই ক'লৈই হ'লনে।

ধেৎতেৰি—ধেৎতেৰিহু আমনি কৰি নাথাক।

ইচ্—ইচ্হু বৰ বেয়া কথা হ'ল।

যাঃ—যাঃহু অশান্তি নকৰিবি ইত্যাদি।

৪.০৩.১.৬ বিকল্প নামৰ ব্যৱহাৰ ঃ

এই চাম মহিলাই গিৰিয়েকক বিকল্প নামৰ ব্যৱহাৰ কৰি মাতে। কিন্তু, সেই বিকল্প নামবোৰৰ সংখ্যা আগতকৈ যথেষ্ট কম। 'হে'ৰি, আৰু 'তেওঁ'ৰ ব্যৱহাৰে বেছিকৈ পৰিলক্ষিত হয়। কিছুসংখ্যকে আকৌ গিৰিয়েকক নাম ধৰিয়ে সম্বোধন কৰা পৰিলক্ষিত হয়। বিশেষকৈ প্ৰেম-বিবাহত এই বৈশিষ্ট্য দেখা যায়। সমজুৱাভাৱে স্বামীৰ নাম কিছুমানে নলয়; কিন্তু কিছুমানে কেৱল ঘৰুৱা পৰিৱেশতে নহয় সমজুৱা ভাৱেও গিৰিয়েকক নাম ধৰিয়ে সম্বোধন কৰা পৰিলক্ষিত হয়।

৪.০৩.১.৭ গালি-শপনি ঃ

এই চাম মহিলাৰ মাজত গালি-শপনিৰ সংখ্যা তুলনামূলকভাৱে কম। কিছুমান অশ্ৰাব্য গালি-শপনি এইচাম মহিলাৰ মাজত নোহোৱা হৈ গৈছে। এওঁলোকে ব্যৱহাৰ কৰা গালি-শপনিসমূহ এনেধৰণৰ—

বাল, জহনীত জাতি, বনৰা/বনৰী, জধামূৰ্খ, অলগদ্ধ, হাৰামজাদী, তেজখোৱা / তেজখাতী, মতাকালু, মৰতী, মাৰ' মূৰ, কেলা, বাপেৰৰ মূৰ আদি।

৪.০৩.১.৮ সাংকেতিক শব্দ ঃ

শ'ল'গুৰি মৌজাৰ আন আন মহিলাসকলৰ লেহেমীয়া আৰু উঠা-নমা সুৰ এই নৱপ্ৰজন্মৰ মহিলাসকলৰ মাজতো দেখিবলৈ পোৱা যায়।

'ৰ'ৰ উচ্চাৰণ প্ৰায় সকলো ২০ ৰ পৰা ৪০ বছৰ বয়সৰ মহিলাৰ ভাষাত লুপ্ত। কিন্তু, কম সংখ্যক মহিলাৰ মাজত 'ৰ'ৰ উচ্চাৰণৰ প্ৰতি সচেতনতা দেখা যায়। যুক্তাক্ষৰৰ সৰলীকৰণ এইচাম মহিলাৰ মাজত দেখা নাযায়। প্ৰবাদ-প্ৰবচনৰ ব্যৱহাৰো এইচাম মহিলাই নকৰে।

এইচাম মহিলাই সাংকেতিক শব্দৰ বিশেষ ব্যৱহাৰ নকৰে। তেওঁলোকে তলত দিয়া ধৰণে কয়—

মান্য অসমীয়া	**২০-৪০ বছৰ বয়সৰ মহিলা**
মাহেকীয়া	অসুবিধা
	মাহেকীয়া
	পিৰিয়ডছ
	(Periods)
অন্তঃসত্বা	প্ৰেগনেন্ট

	(Pregnant)
শৌচ কৰিবলৈ যোৱা	গা ধুবলৈ যোৱা
	লেট্ৰিনলৈ যোৱা
	বাথৰুমলৈ যোৱা
প্ৰস্ৰাৱ কৰিবলৈ যোৱা	প্ৰস্ৰাৱ কৰিবলৈ যোৱা ইত্যাদি।

৪.০৩.২ ৪০ ৰ পৰা ৬০ বছৰ বয়সৰ নাৰী ঃ

৪০ ৰ পৰা ৬০ বছৰ বয়সৰ নাৰীসকলৰ ভাষাৰ লগত কিছু পৰিমাণে পুৰুষৰ ভাষাৰ পাৰ্থক্য পৰিলক্ষিত হয়। নাৰী ভাষাৰ শব্দ ভাণ্ডাৰৰ বহুখিনি শব্দ এওঁলোকৰ কথোপকথনত ব্যৱহৃত হয়।

৪.০৩.২.১ সম্বন্ধবাচক শব্দ ঃ

সম্বন্ধবাচক শব্দৰ বৈশিষ্ট্যসমূহ বহুলাংশে এই চাম মহিলাই ৰক্ষা কৰি আছে। এইচাম মহিলাই সম্বন্ধবাচক শব্দৰ পাছত ব্যৱহৃত 'দেও'ৰ ব্যৱহাৰ কৰে। যেনে—মামাদেও বা মোমাইদেউ, পেহাদেও, পেহীদেও, বাইদেউ, ককাইদেউ, পিতাদেউ, আপাদেউ, নিচাদেউ, দদাইদেউ আদি। এই প্ৰজন্মৰ কিছুসংখ্যক মহিলাই বৰজনাকক দেউতা সম্বোধন কৰে। কিন্তু, ননদ আৰু দেওৰক নাম ধৰিয়ে মাতে। ককাৰ সলনি দ'দ', দ'তি আদি পুৰণি শব্দবোৰেই ব্যৱহাৰ কৰে। কিন্তু, কেতিয়াবা তাৰ ব্যতিক্ৰমো পৰিলক্ষিত হয়।

গোসাঁই মহিলাসকলে কেৱল ধাৰ্মিক কাৰ্যত অংশগ্ৰহণ কৰিলেহে আইগৰাকী, বাপজন, আই আদি সম্বোধন ব্যৱহাৰ কৰে।

ইছলাম ধৰ্মৰ এই চাম মহিলাই নিজৰ ভাষিক বৈশিষ্ট্য বহু পৰিমাণে ৰক্ষা কৰি আছে। তেওঁলোকে কাইটি, বাইটি, মামাটি, পেহীটি, পেহাটি, নানা, নানী, দাদা, দাদী আদি সম্বোধন ব্যৱহাৰ কৰে।

৪.০৩.২.২ ৰংবাচক শব্দ ঃ

এওঁলোকে ৰংবোৰ বুজাবলৈ অতীজতে নাৰীসকলে ব্যৱহাৰ কৰা কিছুমান শব্দ ব্যৱহাৰ কৰে। যেনে—ৰঙা বুজাবলৈ টিক্‌টিকীয়া ৰঙা, তেজৰঙা, আকৌ সেউজীয়া বুজাবলৈ কলপতীয়া, ভাটৌৰঙী, ডাঠ সেউজীয়া, পাতল সেউজীয়া; গুলপীয়া বুজাবলৈ পিয়াজী, ডাঠ গুলপীয়া; বগা বুজাবলৈ ধক্‌ধকীয়া বগা, ফেহুবুলীয়া আদি শব্দ ব্যৱহাৰ কৰে।

৪.০৩.২.৩ স্বাৰ্থিক প্ৰত্যয় ঃ

এইচাম মহিলাই যথেষ্ট সংখ্যক স্বাৰ্থিক প্ৰত্যয় কথাই প্ৰতি ব্যৱহাৰ কৰে। যেনে—

চোন—কৰকচোন/ কৰাচোন

না—কৰনা / কৰানা

নি— কৰিবিনি

দেই—নাপায় দেই / হয় দেই

পায়— হয় পায় / দিবি পায়

পিনি— আহি পিনি / গৈ পিনি ইত্যাদি।

৪.০৩.২.৪ বিশেষণীয় বিশেষণ ঃ

এইচাম মহিলাই বিশেষণীয় বিশেষণবোৰ ব্যৱহাৰ কৰে। ২০-৪০ বছৰ বয়সৰ নাৰীয়ে ব্যৱহাৰ কৰা বিশেষণীয় বিশেষণ সহিতে কিচ্‌কিচীয়া, টিক্‌টিকীয়া, চক্‌চকীয়া, মস্ত, লেম্‌লেমীয়া আদি বিশেষণীয় বিশেষণবোৰ ব্যৱহাৰ কৰে।

৪.০৩.২.৫ বাক্যালংকাৰ জাতীয় শব্দ ঃ বাক্যালংকাৰ জাতীয় শব্দৰ ব্যৱহাৰ এইচাম মহিলাৰ ভাষাৰ এক এৰাব নোৱাৰা বৈশিষ্ট্য—

অ' আই— অ' আই কোননো এইজনী?

হেৰৌ—হেৰৌ কটা নিধক। ক'ত মৰিলিগৈ

উৰা—উৰা ! তেনেকে কেলে কৈছ'?

উফ্ ৰাম— উফ্ ৰাম! ইমান ভাগৰ লাগিছে।

ইচ্ ৰাম— ইচ্ ৰাম ! বৰ বেয়া হ'ল দেই। ইত্যাদি।

৪.০৩.২.৬ আৱেগ প্ৰকাশিত অতিৰিক্ত শব্দ ঃ

এই চাম মহিলাই আৱেগ প্ৰকাশ কৰিবলৈ কিছুমান অতিৰিক্ত শব্দৰ ব্যৱহাৰ কৰে। যেনে—ইস্, ইচ্ ইচ্, ধেৎ তেৰি, আই ঐ দেহি, সৰ্বনাশ, হে হৰি, হে প্ৰভু, হে আল্লা, হে খোদা, হে খোদাই আদি।

৪.০৩.২.৭ বিকল্প নামৰ ব্যৱহাৰ ঃ

'স্বামীৰ নাম ল'ব নাপায়' ধাৰণা কিছু পৰিমাণে এই চাম মহিলাৰ মাজত দেখা যায়। তেওঁলোকৰ মাজৰে অধিকাংশই স্বামীৰ নামৰ ঠাইত—আমাৰ এখেত, তেখেত, এওঁ, তেওঁ, ছোৱালীৰ বাপেক, ল'ৰাৰ বাপেক আদিৰ ব্যৱহাৰ কৰে। কিন্তু, সমজুৱাভাৱে কেতিয়াও এইচাম মহিলাই স্বামীক নাম ধৰি সম্বোধন নকৰে।

৪.০৩.২.৮ গালি-শপনি ঃ

২০ ৰ পৰা ৪০ বছৰ বয়সৰ নাৰীৰ মাজত প্ৰচলিত গালি-শপনিৰ লগতে আৰু কিছুমান গালিৰ ব্যৱহাৰ এই চাম মহিলাই কৰে। যেনে—হতচিৰি হোৱা, আওমকীয়াৰ সঁচ, কুলক্ষিণী, শাখিনী, গজমূৰা, গজমূৰী, দাংকাচি, লাংপাতি, মাইকীহতীয়া, মেখেলা ধোৱা, মেখেলাহতীয়া, চদকা খোৱা, পৈয়েৰৰ মূৰ চোবোৱা, পখৰা / পাখৰী, কেতি আদি।

৪.০৩.২.৯ সাংকেতিক শব্দ ঃ

এই চাম মহিলাই কিছু পৰিমাণে ভাষাত আঁৰ বেৰ ৰাখি চলে। যেনে—

মান্য অসমীয়া	**৪০-৬০ বছৰ বয়সৰ মহিলা**
মাহেকীয়া	অসুবিধা
	চুৰা
	নোৱাৰা
অন্তঃসত্বা	গা ভাৰী
	প্ৰেগনেন্ট
	লেঠা লগা
শৌচ কৰিবলৈ যোৱা	গা তিয়াবলৈ যোৱা
	গা ধুবলৈ যোৱা
	বাথৰুম যোৱা
প্ৰস্ৰাৱ কৰিবলৈ যোৱা	প্ৰস্ৰাৱ কৰিবলৈ যোৱা ইত্যাদি।

এই চাম মহিলাই দীঘলীয়া, লেহেমীয়া, উঠা-নমা সুৰতেই কথা কয়। তেওঁলোকৰ ভাষাত 'ৰ' ধ্বনিৰ উচ্চাৰণ সম্পূৰ্ণৰূপে লুপ্ত আৰু এওঁলোক মৌখিক গীত-মাতত চহকী। অৱশ্যে, সচেতনভাৱে কথা ক'লে এওঁলোকে 'ৰ' ধ্বনিৰ উচ্চাৰণ কৰিব পাৰে।

৪.০৩.৩ ৬০ ৰ উৰ্দ্ধৰ মহিলা ঃ

৬০ ৰ উৰ্দ্ধৰ মহিলাসকলৰ ভাষাৰ সৈতে পুৰুষৰ ভাষাৰ পাৰ্থক্য সহজেই চকুত পৰে। শ'ল'গুৰি মৌজাৰ এইসকল নাৰীৰ ভাষাত 'নাৰী ভাষা'ৰ বৈশিষ্ট্যসমূহ ৰক্ষিত হৈ আছে।

৪.০৩.৩.১ সম্বন্ধবাচক শব্দ ঃ

এইচাম মহিলাই সম্বন্ধবাচক নাম সমূহৰ পাছত 'দেউ'ৰ ব্যৱহাৰ কৰে। 'দেউ' প্ৰকৃতাৰ্থত

সন্মানৰ প্ৰতীক। প্ৰত্যেক নামৰ পাছত দেউ ব্যৱহাৰ কৰাটো এই চাম মহিলাৰ ভাষাৰ বৈশিষ্ট্য। তেওঁলোকে মাকক বৌ, বৌটি বুলি সম্বোধন কৰে। আন আন সম্বন্ধবোৰ তলত দিয়া ধৰণে ব্যৱহাৰ কৰে—

দ'দ', দ'তি, পিতাদেউ, মহাদেউ, মাহীদেউ, জেঠাইদেউ, জেঠু, আপাদেউ, নিচাদেউ, দদাইদেউ, খুৰীদেউ আদি।

উল্লেখযোগ্য যে, এই মহিলাসকলে 'দেউ'ৰ উচ্চাৰণ দ' হিচাপে কৰে।

ঠিক তেনেদৰে, মুছলমান মহিলাসকলে তলত দিয়া ধৰণে সম্বন্ধবোৰ ব্যৱহাৰ কৰে ঃ

আব্বা, আব্বাজান, আম্মা, আম্মাজান, কাইটি, বাইটি, ভাই, ভাইজান, পেহাটি, পেহীটি, দাদা, নানা, নানী, দাদী, মামাটি, মামীটি আদি।

এইচাম মহিলাই বৰজনাকক দেউতা আৰু ননদ আৰু দেওৰক (আহোম মহিলাই) 'আইদেউ' আৰু 'গোহাঁইদেও' নামেৰে সম্বোধন কৰে।

৪.০৩.৩.২ ৰংবাচক শব্দ ঃ

এওঁলোকে ৰং বুজাবলৈ ব্যৱহাৰ কৰা শব্দবোৰ এনেধৰণৰ—তাম বৰণীয়া, মটীয়া কজলা, সুমথিৰা ৰঙী, গেৰুৱা, ফেহুবুলীয়া, শুদ্ধ বৰ্ণ, পহুৰঙী, তেজৰঙী, পিয়াজী, বেঙেনাবুলীয়া, সৰিয়হৰঙী, ধোৱাবৰণীয়া, কৃষ্ণবৰ্ণ, কলপতীয়া, ভাটৌৰঙী, ডাঠ সেউজীয়া, পাতল সেউজীয়া, উকা, কুঁহিপতীয়া আদি।

৪.০৩.৩.৩ বাক্যালংকাৰ জাতীয় শব্দ ঃ

এইচাম মহিলাই বাক্যালংকাৰ ব্যৱহাৰ নকৰাকৈ কোনো বাক্যই নকয়। বাক্যালংকাৰ অবিহনে তেওঁলোকে কথা ক'লে কোৱা কথা অসম্পূৰ্ণ যেন অনুভৱ কৰে। তেওঁলোকে ব্যৱহাৰ কৰা বাক্যালংকাৰ জাতীয় শব্দবোৰ এনেধৰণৰ—

অ আই—অ' আই। ক'লে গৈছিলি হয়।

আই অ'— আই অ'। এই গৰমত ঘৰৰ বাজ হ'বলৈ নাই।

হয়ি হয়ি (হৰি হৰি)—হয়ি হয়ি। ক'তে মৰো মই।

উৰা— উৰা ! ইমানকে মাতিলো, ঘূৰিকে নাচালি পায়।

হেৰৌ—হেৰৌ ৰতনৰ মাক, খবৰটো পালিনে ?

আও—আও বৰ গপচোন তোৰ।

জানো পাই— জানো পাই। কিনো কৈছ’ একো বুজি পোৱা নাই।

হয় পাই— হয় পাই। এইবোৰ নাখাওঁ দেই ইত্যাদি।

৪.০৩.৩.৪ স্বাৰ্থিক প্ৰত্যয় ঃ

এইবয়সৰ মহিলাৰ ভাষাৰ এক এৰাব নোৱাৰা অংগ হৈছে স্বাৰ্থিক প্ৰত্যয়। প্ৰত্যেকটো বাক্যত তেওঁলোকে এনে প্ৰত্যয়ৰ ব্যৱহাৰ কৰে। যেনে—

পায়—নাযাওঁ পায়।

পিনি— গৈপিনি ঘূৰি আহিলে।

পিনে— আহিপিনে শুই থাকিলে।

নে— আহিলেনে ল’ৰাটো?

দে—মই আজি নেযাওঁ দেই।

চোন—ভাত খাওঁকচোন।

নি— বেয়া পালিনি? ইত্যাদি।

৪.০৩.৩.৫ বিশেষণীয় বিশেষণ ঃ

সকলো ধৰণৰ বিশেষণীয় বিশেষণ এই চাম মহিলাই ব্যৱহাৰ কৰে। যেনে—ধকধকীয়া শুদ্ধ বৰ্ণ (বগা), কিচ্‌কিচীয়া ক’লা, মস্ত ভাল, বৰ ভাল, ইমান সোৱাদ, টিক্‌টিকীয়া ৰঙা, সুপসুপীয়া কোমল, ফিংফিঙীয়া মিহি আদি।

৪.০৩.৩.৬ আৱেগ প্ৰকাশিত অতিৰিক্ত শব্দ ঃ

এওঁলোকে আৱেগ প্ৰকাশ কৰিবলৈ বিভিন্ন অতিৰিক্ত শব্দ ব্যৱহাৰ কৰে। যেনে—

ইস্, ইচ ইচ, হে পৰভু, ধেৎতেৰি, অ’ আই, দেহি ঐ, হে হৰি, হে আল্লা, খোদা খোদা, হে খোদাই আদি।

৪.০৩.৩.৭ বিকল্প নামৰ ব্যৱহাৰ ঃ

এই মহিলাসকলে কেতিয়াও কোনোপধ্যে স্বামীৰ নাম নলয়। এওঁলোকে সদায় স্বামীৰ কথা কওঁতে ল’ৰাৰ বাপেক বা আমাৰ ছোৱালীৰ বাপেক / পিতাক, ইহঁতৰ বাপেক বা আন কেতিয়া বা ল’ৰা-ছোৱালীৰ নাম লৈ বীনাৰ বাপেক, দীপকৰ বাপেক হিচাপে স্বামীক উল্লেখ কৰে। আকৌ, শহুৰেক-শাহুৰেকৰ নাম নলৈ আমাৰ শাহু বা মোৰ শহুৰ দেউতা হিচাপে উল্লেখ কৰে।

৪.০৩.৩.৮ গালি-শপনি ঃ

৬০ ৰ উৰ্দ্ধৰ মহিলাসকলৰ মাজত ২০ ৰ পৰা ৬০ বছৰ বয়সৰ মহিলাসকলে ব্যৱহাৰ কৰা গালি-শপনিৰ লগতে আন বহুতো গালি শপনি শুনা যায়। তলত সেইবোৰ উল্লেখ কৰা হ'ল—

বুঢী বাঢ়নীৰে কোবাম, জুই লাগতী, খাৰী গাই, কণা নৰকী, পদূলি শুঙাৰ জাত, ৰাত জহনীত যোৱা, ঢেকেৰাৰ জাত, তোৰ ছালত হুদুৰে মাতিব, ভেটিত তিতা লাও গজক, যোৱা বাৰীৰ সঁচ, বাৰে বনৰী, মেখেলা ধোৱা, হেপাই মূৰ চোবোৱা, ঢকুৰা সূতা নিছিগালে কোবাম, চুৰৰৰ পুতেক, বাগৰি, বিনচৰীয়া, বনৰীয়া, কটা নিধক, যখিনী, ডাইনী, বাজী আদি।

৪.০৩.৩.৯ সাংকেতিক শব্দ ঃ

এই চাম মহিলাই পুৰুষৰ সন্মুখত কেতিয়াও নাৰীৰ একান্ত ব্যক্তিগত কথা ব্যক্ত নকৰে। পুৰুষৰ উপস্থিতিত বা কেতিয়াবা অনুপস্থিতিতো ভাষাত সাংকেতিক শব্দ ব্যৱহাৰ কৰে।

মান্য অসমীয়া	**৬০ ৰ উৰ্দ্ধৰ মহিলা**
মাহেকীয়া	চুৰা
	নোৰৰা
	অসুবিধা
	পাগৰ বাহিৰ
অন্তঃসত্বা	গাত লেঠা
	লেঠা
	গা ভাৰী
	ল'ৰা পাব হোৱা
শৌচ কৰিবলৈ যোৱা	বাহিৰ ফুৰিবলৈ যোৱা
	গা তিয়াবলৈ যোৱা
প্ৰস্ৰাৱ কৰিবলৈ যোৱা	সৰুপানী চুবলৈ যোৱা
	মুতিবলৈ যোৱা ইত্যাদি।

৪.০৩.৩.১০ প্ৰবাদ প্ৰবচন ঃ

এইচাম মহিলাই কথাই প্ৰতি বিভিন্ন জতুৱা ঠাঁচ, প্ৰবাদ প্ৰবচন আৰু লগতে ডাকৰ বচন ব্যৱহাৰ কৰে। ইয়াৰ ব্যৱহাৰে তেওঁলোকৰ ভাষা অতি আকৰ্ষণীয় আৰু সৌন্দৰ্যশালী কৰি তোলে। তেওঁলোকে সততে ব্যৱহাৰ কৰা প্ৰবাদ প্ৰবচনসমূহ তলত উদাহৰণস্বৰূপে আগবঢ়োৱা হ'ল—

১. অতি চালাকিৰ গলাই ফাঁচী।

২. এনেয়ে বুঢ়ী নাচনী, তাতে আকৌ নাতিনীয়েকৰ বিয়া।

৩. অতি ভক্তি চোৰৰ লক্ষণ।

৪. বাহুত বল হ'লে খাবা নহ'লে চাবা।

৫. বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰী।

৬. লগুণৰ গুৰি লেকাই চেতিয়া।

৭. বাপ বুলিলে ঢোৰা সাপ।

৮. আগফালে মাৰো দাং, পিছফালে ধোবাং বাং।

৯. অধিক মাছত বগলী কণা।

১০. আগ নুশুনি গুণে পাছ, লোভত মৰে বৰশীৰ মাছ।

১১. হলা গছ দেখিলে বাগী কুঠাৰ মাৰে।

১২. শেনটোৰ দৰে গৈ ফেঁচাটোৰ দৰে উভতা।

১৩. যি মূলা বাঢ়ে তাৰ দুপাততে চিন ইত্যাদি।

ডাকৰ বচন ঃ

১. মৰে উৰুলিপুঙা, মৰে পদূলি শুঙা, মৰে অলপ পানীৰ মাছ, মৰে নদীৰ কানৰ গাছ।

২. আহক নাহক বৰ, সেওঁতা ফালি মৰ, যেতিয়া আহিব বৰ, তাইৰ উঠিব জ্বৰ।

৩. আহক বাৰিষা, কাটক পাত, বৈ যা ভিনিহি, খাই যা ভাত।

৪. ঘন ঘনকে দিবা আলি, পৰ্বতৰ ওপৰত ৰুবা শালি, তাতো যদি নহয় শালি, ডাকক পাৰিবা গালি ইত্যাদি।

আকৌ, কথোপকথনৰ মাজত তেওঁলোকে জতুৱা খণ্ডবাক্যৰ ব্যৱহাৰ কৰে। যেনে—

১. অলপ ধতুৰা

২. ভিজা মেকুৰী

৩. ডলাৰ বগৰী

৪. তিলটোকে তালটো

৫. বিড়াল তপস্বী

৬. পিৰালী কুকুৰ

৭. বেৰৰ কাণ

৮. অলপ পানীৰ মাছ

৯. গভীৰ পানীৰ মাছ

১০. পানীৰ তলৰ কাঁইট

১১. গাখীৰ খুৱাই সাপ পোহা

১২. ভেকুলী পিঠিৰ নোম

১৩. হাইঠা মাটিত পৰা

১৪. শেনৰ এজাত

১৫. শুকুলা হাতী ইত্যাদি।

এইচাম মহিলাই সুৰীয়া, দীঘলীয়া, উঠা-নমা লহৰযুক্ত ভাষাত কথা কয়। শ্ৰুতি মধুৰ হোৱাৰ লগতে এওঁলোকৰ ভাষা অতি আকৰ্ষণীয়। এওঁলোকে সচেতনভাৱেও 'ৰ'ৰ শুদ্ধ উচ্চাৰণ কৰিব নোৱাৰে।

৪.০৪ বৃত্তি অনুসৰি নাৰী ভাষাৰ ব্যৱহাৰ ঃ

শ'ল'গুৰি মৌজাত বৰ্তমান বিভিন্ন বৃত্তিৰ মহিলা আছে। অতীজতে মৌজাখনৰ অধিকাংশ মহিলা গৃহিণী আছিল। গৃহিণী হোৱাৰ উপৰিও কৃষি কাৰ্যত একাংশ মহিলাই বিশেষভাৱে সহায় কৰিছিল। পথাৰত ৰোৱা-তোলা কৰা আৰু ধান দোৱা কাম অতীজৰে পৰা মহিলাসকলেই কৰি আহিছে। কিন্তু, সময়ৰ সোঁতত আন সকলোবোৰ সলনি হোৱাৰ দৰেই মহিলাসকলৰ কৰ্মৰো সলনি হ'ল। বৰ্তমান মৌজাখন বিভিন্ন বৃত্তি, যেনে—গৃহিণী, শিক্ষয়িত্ৰী, চিকিৎসক, অধিবক্তা, অভিযন্তা, বেংকৰ কৰ্মচাৰী, কৃষিকাৰ্যত সহায়কাৰী, আত্মসহায়ক গোটৰ সদস্যা আদি পোৱা যায়।

বৃত্তিত পাৰ্থক্য থকাৰ দৰেই তেওঁলোকৰ ভাষাৰ মাজতো পাৰ্থক্য পৰিলক্ষিত হয়। অধ্যয়নৰ সুবিধাৰ বাবে মহিলা সকলক তিনিটা ভাগত ভাগ কৰি লোৱা হৈছে—

ক) গৃহিণী

খ) গৃহিণীৰ লগতে কৃষিকাৰ্যত অংশগ্ৰহণকাৰী

গ) চাকৰিয়াল

৪.০৪.১ গৃহিণী ঃ

মৌজাখনত বসবাস কৰা সকলো মহিলাই গৃহিণীৰ দায়িত্ব পালন কৰে যদিও এই ভাগটোত কেৱল গৃহিণী মহিলাসকলকহে সামৰি লোৱা হৈছে। এওঁলোক কোনো আত্মসহায়ক গোটৰ সদস্যাও নহয় আৰু কৃষিকাৰ্যতো এওঁলোকে অংশগ্ৰহণ নকৰে। ল'ৰা-ছোৱালী প্ৰতিপাল কৰাৰ পৰা সংসাৰৰ সকলো জঞ্জাল মৰালৈ ঘৰখনৰ সকলো কাম এওঁলোকে চম্ভালে। এনে মহিলাসকলৰ প্ৰায় সকলোৱে তাঁতত বিভিন্ন ধৰণৰ ব্যৱহাৰ্য কাপোৰ বৈ উলিয়ায়।

এই মহিলাসকলৰ ভাষাৰ মাজত নাৰী-ভাষাৰ সমলসমূহ বিশেষভাৱে পৰিলক্ষিত হয়—

এওঁলোকৰ ভাষাৰ সৈতে পুৰুষৰ ভাষাৰ বিস্তৰ পাৰ্থক্য পৰিলক্ষিত হয়। পুৰুষৰ সৈতে এওঁলোকৰ কৰ্মৰ বৃহৎ পাৰ্থক্য থকাৰ ফলতে ভাষিক পাৰ্থক্যও স্পষ্ট হৈ পৰে। ৰাতিপুৱা শুই উঠি ঘৰ চোতাল সৰা-মচা কৰা কাৰ্যক এওঁলোকে একেলগে 'বাহী বন কৰা' বুলি কয়। ইয়াৰ পাছত গা ধুই অহাক 'গা তিয়াই অহা' বুলি কয়। পৰৱৰ্তী পৰ্যায়ত, ভগৱানক উপাসনা কৰা কাৰ্যক 'গোসাঁই চাকি জ্বলোৱা' বা 'গোসাঁই বন্তি লগোৱা' হিচাপে কয়। ঠিক তেনেদৰে ৰন্ধা-বঢ়া কাৰ্যক বুজাবলৈ ভাত-ৰন্ধা, চাহ-তপতোৱা, পিঠা-পোৰা ইত্যাদি শব্দৰে প্ৰকাশ কৰে। সেইদৰে ধান-খুন্দা, পিঠা-খুন্দা, চিৰা-খুন্দা, খোলা-পতা ইত্যাদি শব্দৰে ধান-চাউল, জা-জলপান তৈয়াৰ কৰাৰ কথা প্ৰকাশ কৰে। সাধাৰণতে এই কামবোৰ নাৰীৰ প্ৰায় একচেতীয়া বুলিব পাৰি। গতিকে ইয়াৰ পৰম্পৰা নাৰীয়েই ৰক্ষা কৰি আহিছে।

তেনেকৈ পাচি, খৰাহি, ডলা, কুলা, চালনী (চাউল চলা, ধান চলা, মাছ বছা) আদি সুকীয়া সুকীয়া কামৰ বাবে সুকীয়া নাম থকা দেখা যায়।

পানী চাং, খৰি চাং, ধুতী ধান আদিৰ ব্যৱহাৰ আৰু তেনে কাৰ্যত ব্যৱহাৰ হোৱা শব্দবোৰো এইচাম মহিলাৰ মাজত তেনেকৈ চলি আছে। আখলৰ চাং, পানী চাং, ধোৱা চাং, ৰান্ধনী শাল, মজিয়া, পীৰা আদি শব্দৰ লগতে খাদ্য প্ৰস্তুতৰ বিভিন্ন নিয়ম যেনে—পোৰা, পাতত দিয়া, খৰিকাত দিয়া, পিটিকা, খাৰলি, কাঁহুদি, আচাৰ, খৰিছা আদি শব্দবোৰৰ প্ৰচলন এইচাম মহিলাৰ মাজত দেখা যায়। আকৌ, ভাত খোৱা, মজিয়াত খোৱা, পীৰাত বহা, টেবুলত খোৱা, চাহৰ টেবুল, ভাতৰ টেবুল আদি শব্দবোৰো এওঁলোকৰ মুখতে শুনা যায়।

এইচাম নাৰীৰ প্ৰাত্যাহিক কৰ্মৰ নিৰ্দিষ্ট শব্দবোৰো এওঁলোকৰ মুখতে শুনা যায়। যেনে— তাঁতশাল, উঘা, চেৰেকি, লেটাই, ব-চুঙা, নাচনী, মাকো, মহুৰা আদি তাঁতশালৰ সজুঁলিৰ নাম আৰু

ব্যৱহাৰো সণ্চালনিকৈ এওঁলোকৰ মাজত চলি আছে। তাঁত ব'বলৈ বহি শিপিনীয়ে তাঁতখন জুৰিছোঁ, সামৰিবৰ হ'লে তাঁতখন সামৰিছোঁ; চাদৰখন কাটিছোঁ, মহুৰা ফুৰাইছোঁ, তাঁতবাতি কৰিছোঁ আদি ধৰণে কয়।

ধান চাউলৰ সমস্ত কামবোৰ এইসকল নাৰীয়েই কৰে। সেইবাবে প্ৰতিটো জা-জলপানৰ বাবে প্ৰস্তুত পদ্ধতিৰ শব্দবোৰো নাৰীৰ মাজতে প্ৰচলিত হৈ থাকে। উখোৱা চাউলৰ বাবে, কোমল চাউলৰ বাবে 'ধান বহাব' লাগে—তেনে ক্ষেত্ৰত ধান শুকাবলৈ দিলে সঘনাই লৰাই থাকিলেহে একে ৰ'দত শুকায়—তাক 'ধান হাতত' দিয়া বোলে। তেনেকৈ ধান শুকুৱাই থৈ দিবলৈ ব্যৱহাৰ কৰা ডুলি, পাচি আদি বাঁহৰ সঁজুলিবোৰৰ নামো নাৰীসকলৰ মুখতে শুনা যায়।

অপৈণত বা অপঁইতা ফল মূল বুজাবলৈ নাৰীসকলে প্ৰায়ে কুমলীয়া, ভাত কুমলীয়া, ফুল কুমলীয়া আদি শব্দবোৰ ব্যৱহাৰ কৰে।

৪.০৪.২ গৃহিণী তথা কৃষিকাৰ্যত অংশগ্ৰহণকাৰী ঃ

কিছুমান মহিলাই গৃহিণী হোৱাৰ লগতে কৃষিকাৰ্যতো সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। তেওঁলোকৰ ভাষাত গৃহিণীসকলে ব্যৱহাৰ কৰা সকলোবোৰ শব্দৰ লগতে পথাৰৰ ৰোৱা তোলা, ধান দোৱা আদি সম্বন্ধীয় শব্দবোৰ পোৱা যায়। এনেধৰণৰ কৃষি সম্পৰ্কীয় নাৰী মুখৰ কিছুমান শব্দ হ'ল—গোছ লোৱা, কঁঠিয়া পৰা বা কঁঠিয়া বোলোৱা, কঁঠিয়া সিঁচা, হাউৰি লোৱা, কঁঠিয়াই সজাল ধৰা ইত্যাদি। ধান কটাৰ দিনটোত আগ অনা, লখিমী অনা, কাতি বিহুৰ দিনা পথাৰত আকাশ বন্তি জ্বলোৱা আদি শব্দবোৰ মহিলাৰ মুখতহে শুনা যায়। আকৌ, প্ৰথম ধান ৰোৱাৰ দিনা 'ভূঁই ৰোৱা' বুলি কোৱা হয় আৰু সেইদিনটোক 'ন ভূঁই' বুলি কয়। আকৌ, ধান পকাৰ সময়ত মহিলাসকলে 'ধানৰ ভৰপক উঠা' বুলি কয়। এনেদৰে কৃষিৰ লগত জড়িত মহিলাসকলৰ মুখত বিভিন্ন সুকীয়া শব্দ শুনিবলৈ পোৱা যায়।

৪.০৪.৩ চাকৰিয়াল মহিলা ঃ

চাকৰিয়াল মহিলাসকল শিক্ষিত আৰু আধুনিক। তেওঁলোকে সাধাৰণতে ঘৰুৱাভাৱে কথা পাতোঁতে আন সকল মহিলাৰ দৰেই কথা কয় যদিও মান্য ভাষাৰ প্ৰভাৱ তেওঁলোকৰ ভাষাত বেছিকৈ পৰিলক্ষিত হয়। পৰম্পৰাগতভাৱে চলি অহা নাৰীসকলৰ বহু শব্দ কমবয়সীয়া চাকৰিয়াল মহিলাসকলৰ মাজত দেখা নাযায়। ইয়াৰ বিপৰীতে মহিলাসকলৰ কথাৰ মাজত ইংৰাজী শব্দৰ সঘন প্ৰয়োগ শুনা যায়। চাকৰিয়াল মহিলাসকলৰ ভাষাৰ সৈতে পুৰুষৰ ভাষাৰ বিশেষ পাৰ্থক্য দেখা

নাযায়। গৃহিণীসকলৰ দৰে ঘৰৰ আৰু কৃষিকাৰ্যৰ কাম কৰিবলৈ সময় নোপোৱাৰ বাবে লাহে লাহে কিছুমান শব্দ এইচাম মহিলাৰ ভাষাত লুপ্ত হৈ পৰিছে।

এওঁলোকে ঘৰুৱা কথা-বতৰাত ঘৰ-চোতাল সৰাক ঘৰ সৰা, ভগৱানক উপাসনা কৰাক মন্দিৰলৈ যোৱা, গা ধুবলৈ যোৱাক গা ধোৱা বা বাথৰুমলৈ যোৱা বুলিয়ে কয়। খানা খোৱা বা ভাত খোৱা, ব্ৰেকফাষ্ট কৰা, ভাতৰ টেবুল, চাহৰ টেবুল, চেয়াৰ, চোফা আদি শব্দবোৰ সততে তেওঁলোকৰ মুখত শুনা যায়। ভাত ৰন্ধা কাৰ্যক ভাত বনোৱা, পানী গৰম কৰা, পিঠা ভজা আদি ধৰণে খাদ্যবস্তু প্ৰস্তুতকৰণ সম্পৰ্কীয় শব্দবোৰ ব্যৱহাৰ কৰে।

ইয়াৰ উপৰিও সাজ-পাৰ সম্পৰ্কীয় বিভিন্ন শব্দ যেনে— দোপাট্টা, শাৰী, কূৰ্তি, পেন্ট, চাৰ্ট, পায়জামা আদি শব্দবোৰ তেওঁলোকৰ মুখত শুনা যায়। Service, Office, Job, Payment, Salary আদি তেওঁলোকৰ মুখত সততে শুনা আন কিছুমান ইংৰাজী শব্দ।

উল্লেখযোগ্য যে, নৱ প্ৰজন্মৰ চাকৰিয়াল মহিলাসকলে ব্যস্ততাৰ বাবে লাহে লাহে ঘৰুৱা কাম-বনৰ পৰা আঁতৰি আহিছে। যাৰ ফলত ৰন্ধা-বঢ়া সম্পৰ্কীয় শব্দবোৰ তেওঁলোকৰ ভাষাৰ পৰা সম্পূৰ্ণৰূপে লোপ পোৱাৰ নিচিনাই হৈছে।

এওঁলোকে প্ৰায়ে শুদ্ধ ৰূপত 'ৰ'ৰ উচ্চাৰণ কৰে আৰু ঘৰুৱা পৰিৱেশতহে দীঘলীয়া সুৰযুক্ত ভাষাৰ ব্যৱহাৰ কৰে। কামৰ ঠাইত তেওঁলোকে দীঘলীয়া সুৰযুক্ত ভাষাটোৰ ব্যৱহাৰ কৰাৰ ঠাইত পুৰুষৰ দৰেই ভাষাৰ ব্যৱহাৰ কৰে।

৪.০৫ সাক্ষৰতা অনুসৰি নাৰী ভাষাৰ ব্যৱহাৰ ঃ

সাক্ষৰ আৰু নিৰক্ষৰ এই দুই শ্ৰেণীৰ নাৰীৰ ভাষাৰ ব্যৱহাৰত বিস্তৰ পাৰ্থক্য চকুত পৰে। নিৰক্ষৰ সকলে বিদ্যালয়ত কেতিয়াও ভৰি দি নোপোৱাৰ ফলত সৰুৰে পৰা কেৱল ঘৰুৱা পৰিৱেশতে ডাঙৰ হয়। ইয়াৰ ফলত মাক, আইতাক বা সম্বন্ধীয় আৰু ওচৰ-চুবুৰীয়া মহিলাৰ পৰা আহৰিত বিভিন্ন শব্দ তেওঁলোকৰ ভাষাত যেনে আছে তেনেকৈয়ে ৰৈ যায়।

আনহাতে, শিক্ষিত মহিলাসকলৰ ভাষাত বিদ্যালয়ৰ পৰিৱেশৰ লগতে শিক্ষাৰ প্ৰভাৱ পৰে। যাৰ ফলত তেওঁলোকৰ ভাষাত লাহে লাহে নাৰী ভাষাৰ সুকীয়া শব্দসমূহ হেৰাবলৈ আৰম্ভ কৰে। সাক্ষৰ সকলৰ মাজত আকৌ কেৱল আখৰ লিখিব জনা মহিলা আৰু উচ্চ শিক্ষিত মহিলা দুই ধৰণৰ মহিলা পোৱা যায়। কেৱল আখৰ লিখিব আৰু পঢ়িব জনা মহিলাসকলৰ মাজত সুকীয়া শব্দবোৰ

বহুপৰিমাণে ৰক্ষিত হৈ থকাৰ বিপৰীতে উচ্চ শিক্ষাৰ বাবে ঘৰৰ পৰা আঁতৰত থকা মহিলাসকলৰ সাধাৰণ কথা বতৰাত নাৰী ভাষাৰ সমল সমূহ কমকৈ পৰিলক্ষিত হয়। মহাবিদ্যালয়, বিশ্ববিদ্যালয়ত বিভিন্ন ঠাইৰ ল'ৰা-ছোৱালী লগ পোৱাৰ ফলত আৰু মান্য অসমীয়াৰ প্ৰতি থকা আকৰ্ষণে এইচাম মহিলাৰ ভাষাক এক মিশ্ৰিত ভাষালৈ পৰিণত কৰিছে। হিন্দী আৰু ইংৰাজীৰ বহু শব্দই এওঁলোকৰ সাধাৰণ কথোপকথনত ঠাই পাইছে।

শ'ল'গুৰি মৌজাৰ মহিলাসকলৰ মাজত প্ৰচলিত মৰমবাচক শব্দবোৰ যেনে—বোপাইটো, সোনাই, আইজনী, সোণজনী, সোণামুৰা, ল'ৰাজনী, মইনাটো আদি শব্দবোৰ নিৰক্ষৰ মহিলাসকলেহে ব্যৱহাৰ কৰে। সাক্ষৰ তথা উচ্চ শিক্ষিত মহিলাসকলে এনে মৰমবাচক শব্দবোৰৰ ভিতৰত কেৱল 'মাজনী' আৰু নতুনকৈ সংযোজিত হোৱা শব্দ 'বাবা' (ল'ৰাৰ ক্ষেত্ৰত) ব্যৱহাৰ কৰে।

স্বাৰ্থিক প্ৰত্যয় মৌজাখনৰ নাৰীৰ ভাষা ব্যৱহাৰৰ অন্যতম বৈশিষ্ট্য। এই বৈশিষ্ট্য নিৰক্ষৰ মহিলাসকলৰ ভাষাত সম্পূৰ্ণৰূপে বৰ্তি থকাৰ বিপৰীতে সাক্ষৰ মহিলাসকলে ঘৰুৱা পৰিবেশতহে ব্যৱহাৰ কৰে। নৱ প্ৰজন্মৰ উচ্চ শিক্ষিত মহিলাসকলে লাহে লাহে স্বাৰ্থিক প্ৰত্যয়সমূহ ব্যৱহাৰ কৰিবলৈ এৰি দিছে। দুই এটা স্বাৰ্থিক প্ৰত্যয় অৱশ্যে কেতিয়াবা কথাৰ মাজতে ব্যৱহাৰ হয়। যেনে—দেই, পাই। এওঁলোকৰ ভাষাত সংযোগ হোৱা জনপ্ৰিয় তথা নতুন স্বাৰ্থিক প্ৰত্যয়সমূহ এনেধৰণৰ—আৰে, বে, ৰে, ন'।

আৱেগ প্ৰকাশৰ অতিৰিক্ত শব্দবোৰ যেনে—ইচ্ ইচ্, আই ঐ দেহি, অ' আই, ধেৎ, হৰি হৰি আদি নিৰক্ষৰ মহিলাসকলৰ মাজত যথাযথ ৰূপত ব্যৱহাৰ হোৱা দেখা যায়। আনহাতে, এনে শব্দবোৰ উচ্চ শিক্ষিত মহিলাসকলৰ মুখত শুনা নাযায়। তেওঁলোকে ব্যৱহাৰ কৰা অতিৰিক্ত আৱেগ প্ৰকাশক শব্দসমূহ এনেধৰণৰ—

১. হে' ভগৱান (বা Oh God)হু কেতিয়া ঢুকালে তেওঁ?

২. অ'হ হ' (Oh ho)! কিয়নো অশান্তি কৰি থাক'?

৩. ইয়েহু বৰ বেয়া কথা হ'ল।

৪. অ'হহু আপুনি নাহিব বুলি ভাবিছিলোঁ।

৫. ইচ্হু মই জনাই নাছিলোঁ।

৬. হেইহু এবাৰ ক'লে নুশুন' কিয়?

৭. Thank God! তুমি সময়মতে খবৰটো দিলা।

ৰংবাচক শব্দবোৰৰ ক্ষেত্ৰত নিৰক্ষৰসকলে পূৰ্বৰ প্ৰজন্মই ব্যৱহাৰ কৰা শব্দবোৰ ব্যৱহাৰ কৰে যদিও স্বাক্ষৰ তথা উচ্চ শিক্ষিতসকলে কিছুমান ইংৰাজী শব্দৰ ব্যৱহাৰ কৰে এনেদৰে—

১. Pink (গুলপীয়া)—hot pink, light pink, rose pink, dark pink

২. White (বগা)— White আৰু off white

৩. মেৰুণ

৪. সেউজীয়া—dark green, light gree

৫. ধোৱাঁবৰণীয়া—Grey

৬. Brown (মাটিবৰণীয়া)— Coffee brown আৰু Brown.

এনেদৰে ৰংবোৰৰ ইংৰাজী নামবোৰহে নৱপ্ৰজন্মৰ সাক্ষৰসকলে ব্যৱহাৰ কৰা দেখা যায়।

সম্বন্ধবাচক শব্দবোৰৰ ক্ষেত্ৰত আজিকালি সাক্ষৰসকলৰ মুখত সততে শুনিবলৈ পোৱা দুটা জনপ্ৰিয় শব্দ হৈছে—আংকল, আন্টি। নিৰক্ষৰ সকলৰ মুখত বা সচেতন সাক্ষৰসকলৰ মুখত অৱশ্যে পৰম্পৰাগত সম্বন্ধবাচক নামবোৰ শুনিবলৈ পোৱা যায়।

বিকল্প নামৰ ব্যৱহাৰৰ ক্ষেত্ৰতো দেখা যায় যে নিৰক্ষৰসকলে স্বামীক বিকল্প নাম দি সম্বোধন কৰে। সাক্ষৰ সকলৰ ক্ষেত্ৰত দেখা যায় যে যিসকল পুৰণি প্ৰজন্মৰ সাক্ষৰ তেওঁলোকেও স্বামীক বিকল্প নামেৰে সম্বোধন কৰে। আনহাতে, যিসকল নৱ প্ৰজন্মৰ উচ্চ শিক্ষিত সাক্ষৰ তেওঁলোকে প্ৰায়ে নাম ধৰিয়ে স্বামীক সম্বোধন কৰে। বিকল্প নামৰ ব্যৱহাৰ এওঁলোকৰ মাজত দেখা নাযায়।

গালি-শপনিবাচক শব্দবোৰ নিৰক্ষৰ সকলৰ মাজত কম-বেছি পৰিমাণে মজুত থকাৰ বিপৰীতে সাক্ষৰসকলৰ, বিশেষকৈ নৱপ্ৰজন্মৰ সাক্ষৰসকলৰ মাজৰ পৰা হেৰাই গৈছে। ক্ষেত্ৰ অধ্যয়নৰ পৰা জানিব পৰা মতে, নৱপ্ৰজন্ম পৰম্পৰাগত গালি-শপনিৰ অধিকাংশৰ সৈতে অপৰিচিত।

প্ৰবাদ প্ৰবচনৰ ব্যৱহাৰৰ ক্ষেত্ৰতো একে পৰিস্থিতিৰ সৃষ্টি হৈছে। দুই এটা প্ৰবাদ প্ৰবচনৰ বাহিৰে আন সকলোবোৰ জঁতুৱা শব্দ, খণ্ডবাক্য, ফকৰা যোজনা, ডাকৰ বচন মৌজাখনৰ নৱপ্ৰজন্মৰ সাক্ষৰ সকলৰ মাজত অপ্ৰচলিত হোৱাৰ লগতে হেৰাই যাবলৈ ধৰিছে।